চান্দমামা

এপ্রিল ১৯৮৫

যিদিনা মোৰ লৰাই দন্তছিদ্ৰ আৱিষ্কাৰ কৰিলে!
"মা, মা অনিলৰ দাঁতত পোকে ধৰিছে।"
"ওহো, সেইটো নহয়। ইয়াক বোলা হয় দন্তছিদ্ৰ।"
"এৰা, মই তাকেই কব খুজিছো। মই মোৰ দাঁতবোৰ দেখুৱালো। সোৱাদভৰা, ফেনভৰা টুথপেষ্টৰ কথাও কলো।"
"ফৰহেন্স ফ্লোৰাইদ সোণকণ্।"
"এৰা ঠিকেই! মই কলো, তুমি ইয়াক ভাল বুলি কোৱা, সেয়ে মই ব্যৱহাৰ কৰো। মযো খুউব ভালপাও!"
"সঁচাকৈয়ে ভাল! আলু মজবুত কৰে, দাঁতক দীৰ্ঘায়ু প্ৰদান কৰে।"
ফৰহেন্স ফ্লোৰাইদ
সোৱাদ আৰু ফেনভৰা এই টুথপেষ্ট
দাঁত আৰু আলু-দুয়োৰে সুৰক্ষা কৰে
FOR THE GUMS
Forhan's
with active FLUORIDE to check tooth decay
331 F 183 ASM

NEW!

MAGGI®

2-Minute Noodles

The tastiest snack!

Made from high quality wheat flour and vegetable fat, Maggi 2-Minute Noodles are hygienically steamed and fried in an automatic plant.
Each Tastemaker is a special blend of select spices and seasonings. What's more 3 exciting flavours to delight every taste.
Masala and Capsika for Vegetarians.
Chicken for Non-Vegetarians.
Simply add Maggi 2-Minute Noodles, along with your favourite Tastemaker, to boiling water. Simmer for 2 minutes. And serve a delicious wholesome hot snack!

Fast to cook! Good to eat!

Campa
Campa
Campa
কেম্পাৰ লগতেই
আমি সকলোৱে
কৰোঁ ৰং ধেমালি!
(কেম্পা অৰেঞ্জ ফ্লেভাৰ—
ৰং ধেমালিৰ সোৱাদ!
কৃত্ৰিম সোৱাদ—ফল ৰস বা শাহ বিহীন পানীয়।
OBM 5361

চান্দমামা

সংস্থাপক ঃ চক্রপাণি

সঞ্চালক ঃ বি নাগিৰেড্ডি

এই সংখ্যাৰপৰা 'বিষ্ণুকথা'ৰ সলনি আৰম্ভ হ'ল 'শিৱ পুৰাণ'। পাঠক-পাঠিকাসকলে 'শিৱ-পুৰাণ' পঢ়ি কেনে পালে — আমালৈ লিখি জনালে আমি কৃতজ্ঞ থাকিম। 'কঁাহৰ কিল্লা' পঢ়ি ভাল পাই অসংখ্য পাঠক-পাঠিকাই আমালৈ লিখি পঠিয়াইছে, তেওঁলোকলৈ আম ৰ আন্তৰিক ধন্যবাদ। 'অন্ধ বিশ্বাস'ৰ সম্পৰ্কে এক উল্লেখযোগ্য কাহিনী এই সংখ্যাৰ 'বেতাল কথা'ত কোৱা হৈছে। এই সংখ্যাৰপৰা দহ বছৰত পদাৰ্পণকৰা 'চান্দমামা'ৰ এই সংখ্যাটিৰ সকলো গল্প-কাহিনী অতি আকৰ্ষণীয়।

অমৰ-বাণী

পৰাণ তোষয়িত্বু দাতুঃ ন কদাপি ধনক্ষয়ঃ।
উদ্ধৃতেপি নদীকূপাং জলে তস্য নতহি ক্ষয় ॥

[ধন-সম্পদ দান কৰিলে দাতাৰ সম্পদ হ্ৰাস নহয়। শুকাই যোৱা নৈৰ বুকুত গাঁত খান্দি পানী উলিয়ালে সেই পানী শেষ নহয়, পুনৰ পানীৰে পৰিপূৰ্ণ হৈ পৰে।]

বছৰ ঃ ১০ এপ্ৰিল ১৯৮৫ সংখ্যা ঃ ১

খনে : ২'০০ টকা : বছৰেকীয়া বৰঙণি : ২৪'০০ টকা

A CHANDAMAMA PUBLICATION

SANKAR

চান্দমামাৰ খুটুৰা-খবৰ

প্ৰথম ৰাষ্ট্ৰপতিৰ জন্মশতবৰ্ষ

স্বাধীন ভাৰতৰ প্ৰথম ৰাষ্ট্ৰপতি বাবু ৰাজেন্দ্ৰপ্ৰসাদ ১৮৮৪ চনত বিহাৰ ৰাজ্যত জন্মগ্ৰহণ কৰিছিল। ১৯৮৪ চনত তেওঁৰ জন্ম এশ বছৰ পুৰ হ'ল। তেওঁ আছিল সফল আইনজীৱি; কিন্তু এই বৃত্তি বিসৰ্জন দি স্বাধানতা-সংগ্ৰামলৈ জঁপিয়াই পৰিছিল। ১৯৫০ চনত তেওঁক ভাৰতৰ ৰাষ্ট্ৰপতি পতা হৈছিল। ১৯৫২ আৰু ১৯৫৭ চনতো তেওঁক ৰাষ্ট্ৰপতি পতা হৈছিল।

পৃথিৱীৰ আটাইতকৈ ডাঙৰ কেক্

কেনাডাৰ হাইগেটৰ জিম্ হিল্টন হ'ল পৃথিৱীৰ আটাইতকৈ ডাঙৰ কেক-ৰ নিৰ্মাতা। এই কেকৰ ওজন ৪০০ কিলোগ্ৰাম। এই কেক তৈয়াৰ কৰোঁতে ছিমেন্ট, ক্ৰেইন আদি ব্যৱহাৰ কৰিবলগা হৈছিল। এই কেকখন দুহেজাৰ মানুহে খাইছিল। জিমে পৃথিৱীৰ আটাইতকৈ ডাঙৰ আইছক্ৰীমো তৈয়াৰ কৰিছিল।



শিশুৱে কেতিয়াৰপৰা শিকে

আমেৰিকাৰ অভিজ্ঞ বিজ্ঞানীসকলে সম্প্ৰতে আৱিষ্কাৰ কৰিছে যে শিশুৱে মাতৃগৰ্ভত থাকোঁতেই শিকিবলৈ ধৰে। মহাভাৰতত উল্লিখিত অভিমন্যুয়ে সুভদ্ৰাৰ গৰ্ভত থাকোঁতে অৰ্জুনে যুদ্ধৰ বিষয়ে সুভদ্ৰাক কোৱা কথাবোৰ শিকিছিল—এই কথাত আশ্চৰ্য্যজনক একো নাই।

জানিবলগীয়া

১। ৰাষ্ট্ৰপুঞ্জৰ প্ৰথম সম্মিলন ক'ত আৰু কেতিয়া অনুষ্ঠিত হৈছিল?

২। কনিষ্কৰ ৰাজধানী পুৰুষপুৰৰ বৰ্তমান নাম কি?

৩। দক্ষিণভাৰতৰ কোন ৰাজবংশৰ আমোলত ৰাজধানী হিচাপে কাঞ্চীপুৰমে খ্যাতিলাভ কৰিছিল?

৪। 'দিল্লী' নগৰীৰ নামৰ সৈতে মিল থকা মৌৰ্য্যবংশৰ কোনগৰাকী সম্ৰাটে এই নগৰী স্থাপন কৰিছিল?

৫। ছুলতান ছেকেন্দৰশ্বাহ লোদী কোনখন নগৰৰ নিৰ্মাতা আছিল?

[উত্তৰ: ৬৪নংপৃষ্ঠাত]



মেহনতৰ মোল

সকৰেপৰাই বৰ কষ্ট কৰি গোবিনে তিল তিলকৈ ধন সাঁচিছিল। গোবিনে কেতিয়াও একপইচাও বাজে খৰচ নকৰিছিল। বহুতেই তাক কটকিনা, কোনোবাই ধনগুলৈ বুলি কৈছিল। কিন্তু সকলো কটুক্তি সহ্য কৰিও গোবিনে তাৰ মিতব্যয়িত অভ্যাস নেৰিছিল।

গোবিনৰ বয়সে ভাটি দিলে। এতিয়া যাঠিৰ ডেওনা পাৰ হ'ল। ইমান কাল ধৰি গোবিনৰ পৰিবাৰ গৌৰী আৰু গোবিনে যাৱতীয় কাম-বন কৰিছিল। কিন্তু গোবিনৰ ল'ৰা তিনিটা আছিল একো কাম-বন নজনা এলেহুৱা আৰু ধোঁৱাখুলীয়া। খৰচ কৰাৰ বেলিকা হাত-দীঘল, কামৰ বেলিকাহে হাতচুটি আৰু সি একেবাৰে লাজ-মান নথকা মানুহ।

গোবিনৰ যাঠি হালিচামান মাটি আছিল। খেতি-বাতিৰ কাম-বন নিজে আৰু যেতিয়া কৰিব নোৱৰা হৈ আহিল, তেতিয়া সেইবোৰ কামৰ কাৰণে মানুহ ল'লে। কিয়নো পুতেকহঁতৰ মাজতো এজনো কামৰ যোগ্য নহ'ল। ইমন পৰিশ্ৰম সিহঁতে নকৰিব। গতিকে মানুহ এজনক খেতিবাতি চোৱামেলাৰ দায়িত্ব দিয়াৰ বাহিৰে উপায় নাছিল। সেই মানুহজনে যি দিয়ে যিখিনি দিয়ে, তাৰে সন্তুষ্ট থকাৰ বাহিৰে উপায় নাছিল।

কেৱল খেতিবাতিৰ কাম নহয়; গোবিনৰ মহাজনী কাৰবাৰৰ ভাৰো আন এজন মানুহৰ ওপৰত দিলে গোবিনে। কিয়নো—টকা ধাৰলৈ দিয়ন, সুত-মূল আদায় কৰন ইত্যাদিৰ কাম কোনো

'বসুন্ধৰা'



এজন লৰা'য়ো কৰিবলৈ মান্তি নহ'ল।

গোবিনৰ আন এটা কাৰবাৰ আছিল কাপোৰৰ কাৰবাৰ। পুতেকহঁতৰ মাজত কোনেও দোকান চলোৱাৰ দায়িত্ব নোলোৱাত মানুহ ৰাখিবলগীয়া হ'ল। সিহঁতে পৰিশ্ৰমকে যম দেখা দি দেখে।

গোবিনৰ ঘৰটোৰ চাৰিওফালে বিস্তৰ মাটি আছিল। বুঢ়া বয়সত বহি শুই খাব নোৱাৰি গোবিনে শাক-পাচলিৰ খেতি অলপ কৰিলে, ফুলপুলি ৰুলে। চাওঁতে চাওঁতে শাক-পাচলিবোৰ লহপহীয়া হৈ উঠিল আৰু ফুলৰ বাগান ফুলৰ দলিচাহেন হৈ পৰিল। এই কামতো কিন্তু ল'ৰাহঁতে গোবিনক সহায় নকৰিলে। বৰঞ্চ ল'ৰাহঁতে ভাবিলে ঃ ছেঃ! দেউতাৰ দেখিছোঁ লোভৰ সীমা নাই। সকলোফালৰপৰা ৰোজকাৰ হোৱা সত্ত্বেও এইবোৰ অতবোৰ পৰিশ্ৰম কৰি শাক-পাচলি ফুল বেচি টকা সাঁচিছে! দেউতা যে কী এটা! বাস্তৱিকতে ধনগুৱৈ!

এইদৰে কিছুদিনলৈ চলি থকাৰ পাছত এক অভিনৱ সমস্যাই মূৰ দাঙি উঠিল। এজন নতুন চুবুৰীয়া আহিল তাত। তেওঁৰ নাম নাথুৰাম। নাথুৰামে ছাগলীৰ গাখীৰৰ কাৰবাৰ কৰিছিল। নাথুৰামে তাৰ ছাগলীবিলাকক যে কী খুৱাইছিল, গোবিনে স্পষ্টকৈ বুজি নাপালেও— নাথুৰামৰ ছাগলীবিলাকে যে তেওঁৰ বাৰীত সোমাই লাও বেঙেনা আৰু ফুলপুলি কিছুমানো খাইছিল সেই কথাত সন্দেহ নাছিল গোবিনৰ। গোবিনে তেওঁৰ ল'ৰাহঁতক বাগান পৰ দিবলৈ ক'লে। কিন্তু সিহঁত ৰাজী নহ'ল। অতঃপৰ গোবিনে তেওঁৰ বাগানত কেয়োফালৰপৰা বেৰ দিলে। কিন্তু কিছু দিনৰ ভিতৰত ছাগলীবিলাকে বিভিন্ন কৌশলেৰে বেৰৰ মাজেদিয়েই সোমাই বাগানৰ শাক-পাচলি খাই থাকিল। তেতিয়া গোবিনে বেৰৰ কাষতে বহু ঠাইত বিৰাট বিৰাট গাঁত

খান্দিলে আৰু ছাগলী-সোমোৱা-বাটৰ ওপৰত কিছুমান ঘূৰণীয়া কাঠৰ টুকুৰা থৈ দিলে। তাৰ পাছত গোবিনে নাথুৰামক ক'লে, "ভাই নাথুৰাম, তোমাৰ ছাগলী-বিলাকে মোৰ বাৰীৰ শাক-পাচলি, আনকি ফুলপুলিবিলাকো খাই আছে। যাতে মোৰ বাগানত ছাগলী নোসোমায় চাবা।"



নাথুৰামৰ কথাৰ উত্তৰত গোবিনে একো নকৈ ছাগলীবিলাকৰ ওপৰত আগতকৈয়ো অধিক দৃষ্টি দিব ধৰিলে। সেই ঘূৰণীয়া কাঠৰ টুকুৰাবিলাক ছাগলী-বিলাকক বাৰুকৈ দিগদাৰি দিব পাৰিছে। ঘূৰ্ণীয়া কাঠৰ টুকুৰাৰ ওপৰেদি টলংভটংকৈ গৈ থাকোঁতে এজনী ছাগলী হুৰমুৰকৈ গাঁতৰ ভিতৰত পৰিলগৈ আৰু তাই মৰণচিঞৰ মাৰি বেবাবলৈ ধৰিলে। কাতৰ বেবনি শুনি গোবিনৰ বেয়া লাগিল আৰু তেওঁ ছাগলীজনীক গাঁতৰ-পৰা উঠাই আনিলে।

কিন্তু দুই-তিনদিনৰ পাছত সেই ছাগলীজনীয়েই ঘূৰণীয়া কাঠৰ টুকুৰা-বিলাকৰ ওপৰেদি বেছ ভালকৈ খোজ কাঢ়ি, বাগানত সোমাই, এফালৰপৰা শাক-পাচলি খাবলৈ ধৰিলে।

গোবিনে ৰ' লাগি ছাগলীজনীলৈ চাই থাকিল। ছাগলীয়ে এফালৰপৰা বাগান খাই থকা আৰু দেউতাকে সেই দৃশ্যলৈ নিৰ্লিপ্তভাৱে চাই থকা দেখি গোবিনৰ পুতেকহঁতে অবাক হৈ ক'লে, "দেউতা, তোমাৰ কি হ'ল কোৱাচোন? ছাগলীয়ে শাক-পাচলি খাইছে আৰু তুমি থিয়ৈ থিয়ৈ—"

"খাওক, খাওক।" গোবিনে অলপো লৰ-চৰ নকৰি, ছাগলীজনীৰ পিনে আগৰ-দৰেই চাই থাকি ধীৰে-সুস্থিৰে ক'লে, "খাওক। মই সিহঁতৰ কাৰণেহে কষ্ট শাক-পাচলিৰ বাৰীখন কৰিলোঁ। সিহঁতে খাই থাকিলে মোৰ পাপ গুচিব, পাপ গুচিলে মই পুণ্যবান হ'ম।"

দেউতাকৰ কথা শুনি পুতেকহঁতৰ কেনেবা লাগিল। ডাঙৰ পুতেকে ক'লে, "কি আগ-ৰম্-বাগ-ৰম্ কথাবোৰ কৈছানো দেউতা? তোমাৰ এইবোৰ কথাৰ অৰ্থ একেবাৰে ধৰিব পৰা নাই। তুমি বলিয়াই হ'লানে অলিয়া হৈ পৰিছা আমি বুজা নাই দেখোন।"

চা, এই ছাগলীজনীয়ে বহু দিন ধৰি বহু ধাৰণে চেষ্টা কৰি বাগানত সোমাব পাৰিছে। তাই এবাৰ গাঁতৰ ভিতৰতো পৰিছিলগৈ। তাৰপাছতো কিন্তু ছাগলীজনীয়ে একেলালীয়ে চেষ্টা চলাই গৈছিল। আৰু চেষ্টা কৰাৰ ফলতহে এতিয়া তাই হেঁপাহ পলুৰাই খাব পাৰিছে। ইমান বছৰ ধৰি, তহঁতৰ নিচিনা অকামিলা ধোদৰপচলাহঁতক খুৱাই যি পাপ কৰিলোঁ সেই পাপৰপৰা এতিয়া মুক্তি বিচাৰিছোঁ। এতিয়াৰপৰা যেয়ে শ্ৰম কৰিব তাকে মই খাবলৈ দিম, যি খুজিব তাকে দিম, এয়ে মোৰ পণ।" গোবিনে দৃঢ়তাৰে ক'লে, "মেহনতৰ মোল দিবই লাগিব।"

তেতিয়াহে ল'ৰাহঁতে বুজি পালে যে— সিহঁতৰ ওপৰত খং উঠা বাবেহে দেউতাকে এতিয়া এই ধ্বংস-দৃশ্যও ধীৰে-সুস্থিৰে চাই আছে। এই ছাগলীজনীয়ে যিকণ পৰিশ্ৰম কৰিলে, সিহঁতে সেইকণো নকৰিলে। দেউতাকে এতিয়া যি ক'লে—যদি সেয়ে সঁচা হয়—তেনেহ'লে কোনোবা চোৰে শ্ৰম কৰি চুৰি কৰিলেও দেউতাকে চাগৈ চোৰকো বহুত কিবাকিবি দি দিব, কোনোবা ভিখাৰীকে কিজানি সা-সম্পত্তি লিখি দিব—এইবোৰ কথা ভাবি সিহঁতে সঁচাকৈয়েই ভয় খালে।

এই ঘটনাৰ পাছৰপৰা গোবিনৰ পুতেকহঁতে দেহে-কেহে খাটি আয়-উপাৰ্জন কৰি থাকিল। সিহঁতৰ মাজত এই বিৰাট পৰিৱৰ্তন লক্ষ্য কৰি গোবিনৰ মনত আনন্দই নধৰা হ'ল।

কঁাহৰ কিল্লা

৩

সুবাহুৱে সূৰ্য্যবৰ্মাৰ মৃত্যু-সংবাদ শুনিলে আৰু এই মৰ্মান্তিক সংবাদ সূৰ্য্যবৰ্মাৰ পুত্ৰ চন্দ্ৰবৰ্মাক অনতিপলমে জনাবলৈ বীৰপুৰলৈ বুলি ৰাওনা হ'ল। বীৰপুৰলৈ গৈ থাকোঁতে সৰ্পকেতুৰ সৈন্যইতে সুবাহুৰ ঘোঁৰাটোক মাৰি পেলালে। গভীৰ খাদলৈ বাগৰি পৰিও এজোপা গছৰ ডালত ধৰি সুবাহুৱে আচৰিতভাৱে মৃত্যুৰ হাত সাৰিলে। তাৰ পাছত সি পুনৰ বীৰপুৰলৈ ৰাওনা হ'ল। তেতিয়া তাৰ পিন্ধনত ফটা-ছিঙা পোছাক। গৈ গৈ সুবাহুৱে এখন গাঁও পালেগৈ। তাৰ কিছুমান মানুহে তাক চাৰিওফালৰপৰা আগুৰি ধৰিলে।

তাৰ পাছত……

এইদৰে তাক আগুৰি ধৰাত সুবাহু হতভম্ব হৈ পৰিল। তাৰ মৃত্যু যে চমু চাপি আহিছে সেই কথাটো সি ফট-ফটীয়াকৈ বুজি পালে। বীৰপুৰলৈ গৈ চন্দ্ৰবৰ্মাক সকলো কথা বিবৰিব পৰাহেঁতেন মৰণতো তাৰ দুখ নহ'লহেঁতেন। কিন্তু এই মুহূৰ্ত্তত তাৰ মৃত্যুৱে দেশৰ যে কিমান বিপৰ্য্যয় মাতি আনিব সেই কথা ভাবি তাৰ বেয়া লাগিল। গতিকে সৰ্পকেতুৰ সৈন্যইতৰ চকুত বালি মাৰি সি

পলাবলৈ যো-জা কৰি থাকিল।

"এই—তই কোন অ'? এজন গাঁওবাসীয়ে তাক ঠেলা এটা মাৰি সুধিলেহি, "তাই মনে মনে থিয় হৈ আছ কিয় ইয়াত? কি লাগে তোক?"

সুবাহুৱে একো ক'বলৈ নৌপাওঁতেই আন এজন গাঁওবাসীয়ে কৈ উঠিল, "মগনিয়াৰ এটাক মাৰিনো কি হ'ব?"

এই মানুহজনৰ কথা শুনি হঠাৎ সুবাহুৰ মগজুত এক বুদ্ধি খেলাই গ'ল। সি ভাবিলেঃ ইহঁতে মোক যেতিয়া মগনিয়াৰ বুলিয়েই ভাবিছে, ময়ো মগনিয়াৰৰ ভাও দিলেই দেখোন বিপদৰ-পৰা সাৰিব পাৰোঁ। —এই কথা ভাবি সি তাৰ চাৰনি আগতকৈয়ো কাতৰ কৰি ক'লে, "দেউতাহঁত, মোক এমুঠি ভাত, বা এখন ৰুটিকে দিয়ক, তাৰ পাছত মোৰ মাৰিলেও মাৰক। ভোকৰ পোৰণি মই আৰু সহিব নোৱাৰিছোঁ।"

"ভাল দিগদাৰিখন হ'ল দেখিছোঁ।" সৰ্পকেতুৰ সৈন্য এটাই কৈ উঠিল, "তাক দূৰৰপৰা দেখি বীৰপুৰীয়া যেনহে লাগিছিল। এটা মগনিয়াৰ বুলি জনাহেঁতেন তাক তেতিয়াই খেদিলোহেঁতেন। —হেই, তই বীৰপুৰীয়া চোৰাংচোৱানে কি? গুচ—গুচ ইয়াৰপৰা।" এই বুলি কৈ সৈন্যটোৱে হাঁহি মাৰি, তাৰ ঘোঁৰা চলাই গুচি যাবলৈ ধৰোঁতে আন এটা সৈন্যই কৈ উঠিল, "তুমি বলিয়া হ'লানেকিহে? তাৰ নিচিনা এটা কেলেহুৱানো চোৰাংচোৰা হ'ব কেনেকৈ? সি এটা আধামৰা মানুহ। সি নিজেই এটা শনি। তাকনো কোনে চোৰাংচোৰা হিচাপে ৰাখিব? কিন্তু—তাৰ হাতত থকা সেই মোটা লাঠিডালেৰে সিনো কি কৰে?" সৈন্যটোৱে সুবাহুক সুধিলে, "হেই, তই ইমান মোটা লাঠিডাল লৈ ফুৰাইছ কিয়?"

"এই পাহাৰত ঢেৰ বাঘ, নাহৰ-

ফুটুকী, কুকুৰনেচীয়া আৰু সিংহো থাকিব পায়। সিহঁতে মোৰ আক্ৰমণ কৰে যদি--?” সুবাহুৰ কথা শুনি সকলোৱে হো হোৱাই হাঁহি উঠিল।

এজন সৈন্যই ক'লে, “তই যে ইমান ডাঙৰ বীৰ—তোক দেখি গমকে পোৱা নেযায় দেখোন। তই বেটাই খোজ কাঢ়িব নোৱাৰিছ — বাঘ মাৰিবি কেনেকৈনো? বাঘ মাৰিব নালাগে বাৰু, লাঠিডাল দাংচোন চাওঁ?”

আকৌ হাঁহিৰ জাউৰি উঠিল। সুবাহুৱে ক'লে, “এমুঠি খাবলৈ দিয়কেইচোন মোক দেউতাহঁত—তাৰ পাছত মোৰ তাগজ দেখুৱাই দিম মই।”

কিন্তু সুবাহুৰ কথালৈ কোনেও ভ্ৰূক্ষেপ নকৰিলে। সৈন্যহঁতে সিহঁতৰ ঘোঁৰাৰ লেকামত ধৰি ক'লে, “ব'লা ব'লা—ইয়াত ৰং চাই থাকিলে পাছত সৰ্পকেতু মহাৰাজৰ খং উঠিব।”

সৈন্যহঁত আগুৱাই যোৱাৰ পাছত এজন গাঁওবাসীয়ে সুবাহুক সুধিলে, “হেৰা, তোমাক দেখাত এজন ডেকামানুহ যেনহে লাগে। তুমিনো ভিক্ষা কৰিছা কিয়? খুজি খোৱা দেখিলে বৰ বেয়া লাগে। তোমাৰ ভাগ্য ইমানেই বেয়ানে?”

“মই মোৰ ভাগ্যক ধিয়ায়েই যোৱা পাঁচ বছৰ ধৰি সৌ পৰ্বতত থকা এজনা গুৰুৰ সেৱা কৰিছিলোঁ। তথাপি মোৰ প্ৰতি তেওঁৰ অলপো কৰুণা নহ'ল।”

সুবাহুৰ কথা শুনি গাঁওবাসীহঁত ভেবা লাগি চাই থাকিল সুবাহুৰ পিনে। তাৰ পাছত সিহঁতৰ মাজত এজনে কৈ উঠিল, “ওঁ, ওঁ—সেই পাহাৰত মহাপুৰুষ এগৰাকী বহুকালৰেপৰাই থকাৰ কথা মই জানো,—জানো মানে—শুনি আহিছোঁ; কিন্তু আজিপৰ্য্যে কোনেও তেওঁক দেখা নাই। যি কি নহওক, অলপ পাছত আমি বীৰপুৰ পামগৈ। আমি যে বিনা বাধাৰে লুটপাত কৰিব

পাৰিম—সেই কথাত সন্দেহ নাই। তেওঁ মহাপুৰুষে সকলো কথা আগৰে-পৰাই জানি থৈছে। যি কি নহওক, আৰু পলম নকৰি ওলাব লাগে।”

সুবাহুৰ কাৰণে খোৰাবস্তু আনিবলৈ গ'ল কেইজনমানে। সিহঁতে গাখীৰ আৰু ৰুটি সুবাহুক খাবলৈ দিলে আৰু পিন্ধিবলৈ দিলে নতুন পোছাক-পাতি।

কিন্তু সুবাহুৱে ভাবিলে ঃ ইমান ভাল পোছাক-পাতি পিন্ধি ওলালে মো:ক হয়তো কোনোবাই চিনি পাব। সি মানুহ-কেইজনক ক'লে, “তোমালোকে মোক ৰক্ষা কৰিলা। পিছে—বীৰপুৰলৈ যোৱাৰ পাছতহে মই এই নতুন পোছাক পিন্ধিম। কিয়নো, তেতিয়াহে কিজানি মোৰ গাত লম্ভা শনি আঁতৰ হ'ব।”

সুবাহুৰ এই কথাত গাঁওবাসীহঁতে বেয়া নাপালে। এজন গাঁওবাসীয়ে তাক সুধিলে, “তোমাৰ নামটো আমি অতপৰে নাজিনিলোঁ। ক'বানে নামটো ?”

“নাম ? মোৰ—নাম—? কিনো কওঁ?” সুবাহুৱে থোকাথুকি মাতেৰে ক'লে, “শনিৰ অত্যাচাৰত মই ইমানেই জুৰুলা হৈ পৰিছোঁ যে পিতৃ-মাতৃ প্ৰদত্ত নামটো আৰু নোকোৱাই ভাল। আৰু—”

সুবাহুৰ কথাৰ ওৰ নোপৰোঁতেই সিজনে কৈ উঠিল, “তোমাৰ গাত লম্ভা শনি আঁতৰ হ'বৰ আৰু বৰ বেছি দেৰী

নাই। ঠিক আছে, সন্থহতে আমি তোমাক শনিমৰ্দ্দন বুলি মাতিম।" এই বুলি কৈ সিহঁতে ৰঙতে চিঞৰি দিলে, "শনিমৰ্দ্দনৰ জয় হওক!" তাৰ পাছত প্ৰায় আটাই-বিলাকেই বীৰপুৰলৈ বুলি খোজ ল'লে। ইমান সময় ধৰি সিহঁতৰ লগত মাত-বোল কৰি সুবাহুৱে এই কথাটো ফটফটীয়াকৈ বুজি পালে যে এই গাঁও-বাসীহঁত দুখীয়া, কেৱল লুণ্ঠনৰ লোভতহে সিহঁত বীৰপুৰলৈ যাবলৈ ওলাইছে। সুবাহুৱে সিহঁতৰ মাজত এজনক হোজাৰ দৰে সুধিলে, "শুনা, বীৰপুৰৰ সম্পৰ্কে মই একো নাজানো, কেৱল বীৰপুৰৰ সামন্ত যে সূৰ্য্যবৰ্মা, ইমানকে জানো। সূৰ্য্যবৰ্মা বাৰু বৰ বেয়া মানুহনে কি?"

সুবাহুৰ কথাত মানুহজনে হো-হোৱাই হাঁহি মাৰি কৈ উঠিল, "সামন্তহঁত সকলোতে একেই। সামন্তহঁতৰ মাজত ভাল কোনোবা আছেনে? সিহঁত সকলোতে অত্যাচাৰী। আমি অৱশ্যে সূৰ্য্যবৰ্মাৰ সম্পৰ্কে একো ক'ব নোৱাৰোঁ। পিছে—সৰ্পকেতু হ'ল ঘোৰ অত্যাচাৰী।"

"তেনেহ'লেনো তোমালোকে সৰ্প-কেতুৰ হৈ সূৰ্য্যবৰ্মাৰ ৰাজ্য আক্ৰমণ কৰিবলৈ কিয় ওলাইছা?" সুবাহুৱে ক'লে, "জানি-বুজি বেয়া মানুহ এজনক সহায় কৰাটো উচিতনে?"

সুবাহুৰ কথা শুনি এজন গাঁৱলীয়াই



দলত বিভক্ত কৰিলে আৰু সৈন্যহঁতৰ চৰ্দাৰে গম্ভীৰ কণ্ঠেৰে ক'লে, "আমাৰ মহাৰাজ সৰ্পকেতু বিৰাট শক্তিশালী ; কিন্তু তথাপি তেওঁ দয়াৰ সাগৰ। তেওঁৰ সহায়তাৰে আৰু অলপ পাছতে তোমা-লোকৰ দুখ-দাৰিদ্ৰ্য একেবাৰে দূৰতে বিদূৰ হ'ব। এতিয়া আমাৰ কৰ্তব্য হ'ল বীৰপুৰ আক্ৰমণ। একমাত্ৰ কৰ্তব্য। বীৰপুৰৰ ৰাজপ্ৰাসাদত থকা প্ৰহৰীটোক ভাঁৰিব লাগিব। তেতিয়াহে বীৰপুৰ আক্ৰমণ তথা লুণ্ঠন সহজ হৈ উঠিব। প্ৰহৰীটোক এইদৰে ভাঁৰিব লাগিল ঃ

"তোমালোকৰ মাজত কিছুমানে ৰাজ-প্ৰাসাদৰ তোৰণৰ আগত থিয় হৈ, ৰজা সূৰ্য্যবৰ্মাৰ জয়ধ্বনি দিয়াৰ লগে লগে কান্দি থাকিবা আৰু সৰ্পকেতুৱে তোমা-লোকক আক্ৰমণ কৰা বুলি ক'বা। সৰ্পকেতুৰ কবলৰপৰা ৰক্ষা কৰিবলৈ তোমা-লোকে আকুল আবেদন জনাই থাকিবা। তেতিয়া—তোমালোকৰ সেই করুণ বিননি শুনি প্ৰহৰীহঁতে নিশ্চয় তোৰণ খুলিব আৰু তোমালোকে—অৰ্থাৎ সাধাৰণ নাগৰিকৰ বেশত থকা আমাৰ সৰ্পকেতু মহাৰাজৰ সৈন্যহঁতে বিজুলীগতিৰে ৰাজপ্ৰাসাদৰ ভিতৰত সোমাই পৰিবা।

"সোমায়েই মহাৰজা যশোবৰ্ধনৰ

হাঁহি মাৰি ক'লে, "আমি পিছে—সেই সলিসিয়ান সৰ্পকেতুক সহায় কৰিবলৈ ওলোৱা নাই। লুণ্ঠন কৰাটোহে আমাৰ একমাত্ৰ উদ্দেশ্য। এই বিষয়ত আমাকহে সৰ্পকেতুৱে সহায় কৰিব।"

এইবোৰ কথা শুনি এই গাঁওবাসীহঁত যে বৰ সুযোগসন্ধানী সুবাহুৱে সেই আচল কথাটো বুজি পালে আৰু সিহঁতৰ লগে লগে বীৰপুৰলৈ গৈ থাকিল।

বহু সময় ধৰি গৈ থকাৰ পাছত সিহঁতে এটা টিলা পালেগৈ। তাতে বহু মানুহ গোট খাইছিলহি। সৰ্পকেতুৰ সৈন্যহঁতে মানুহবিলাকক কেইবাটাও



নাম লৈ তেওঁৰ জয়ধ্বনিৰে গগন ফালি থাকিবা। তাত থকা প্ৰহৰীহঁতে তোমালোকক মহাৰজা যশোবৰ্ধনৰ গুণগ্ৰাহী বুলি ভাবি ল'ব আৰু তাৰ ফলত সূৰ্য্যবৰ্মাৰ সৈন্যহঁতে তোমালোকক একো নক'ব। ইতিমধ্যে আমাৰ সৈন্যহঁতো তাত সোমাই পৰিবগৈ আৰু সিহঁতক পৰ্যুদস্ত কৰিব।

"এটা কথা মনত ৰাখিবা, তোমালোকে আমাৰ মহাৰাজ সৰ্পকেতুৰ নামত ভুলতো জয়ধ্বনি নিদিয়া যেন।'

তেতিয়া সৰ্পকেতুৰ সৈন্যহঁতৰ মাজত কিছুমানে মহাৰাজ যশোবৰ্ধনৰ নাম লৈ জয়ধ্বনি দি থাকিল।

বীৰপুৰ আক্ৰমণ কৰাৰ এই চক্ৰান্ত দেখি আৰু শুনি সুবাহু স্তম্ভিত হৈ পৰিল। সুবাহুৱে ভাবি থাকিল: ইহঁতে এইদৰে ৰাজপ্ৰাসাদ অধিকাৰ কৰাৰ আগতে মই যদি কেনেবাকৈ চন্দ্ৰবৰ্মাক এই বাতৰি দিবগৈ পাৰোঁ, তেনেহ'লে বীৰপুৰ ৰক্ষা পৰিব, ধন-সম্পদ লুণ্ঠিত নহ'ব, অত্যাচাৰো নহ'ব। কিন্তু ইহঁতৰ চকুত বালি মাৰি মই ইয়াৰপৰা ওলাই যাওঁনো কেনেকৈ?

সুবাহুৱে এইবোৰ কথা ভাবি থাকোঁতেই ছদ্মবেশী শত্ৰুসৈন্য ৰাজপ্ৰাসাদ অভিমুখে সাগৰৰ কোবাল সোঁতৰ দৰে আগুৱাই গৈ থাকিল।

আৰু সুবাহুও, এটা ঘোঁৰাত উঠি সিহঁতৰ লগে লগে গৈ থাকিল। গৈ গৈ সুবাহুৱে সিহঁতৰ আগভাগতে থিয় হ'লগৈ।

ছদ্মবেশী সৈন্যহঁতে তেতিয়া আৰ্তনাদ কৰি আছিল আৰু কৈ আছিল: 'মহাৰাজ! সৰ্পকেতুৰ সৈন্যহঁতে আমাক মাৰ-পিট কৰিছে, আমাৰ মাজত কিছুমানক হত্যা কৰিছে, অত্যাচাৰী সৰ্পকেতুৱে আমাৰ ধন-সম্পত্তি লুণ্ঠন কৰিছে—আমাক ৰক্ষা কৰক মহাৰাজ!'

এইবোৰ কথা শুনি তোৰণৰ সিফালে থকা ৰজা সূৰ্য্যবৰ্মাৰ সৈন্যহঁত বিমূঢ়

হৈ পৰিল। তোৰণৰ দুৱাৰ খুলিবনে নোখোলে—এই কথাত সিহঁতৰ মাজত আলোচনা চলি থাকোঁতেই পুনৰ কাতৰ আৰ্তনাদৰ ধ্বনি উঠিল। ছদ্মবেশী শত্রু-সৈন্যহঁতে বিনাই বিনাই কৈ থাকিল: 'দেউতাহঁত, আপোনালোকে আমাক মহাৰাজৰ ওচৰলৈ যাবলৈ দিয়ক, আমাৰ দুখৰ কথা ক'মগৈ তেওঁক, আমাক তেওঁৰ ওচৰলৈ যাবলৈ দিয়ক—অ' দেউতাহঁত!"

আৰু তৎক্ষণাৎ প্ৰাসাদৰ ঘাই দুৱাৰ খোল খাই গ'ল। লগে লগে ছদ্মবেশী শত্রুসৈন্যহঁত বাঢ়নি পানীৰ দৰে সোমাল। সোমালহি সৰ্পকেতুৰ আচল সৈন্যহঁতো। সিহঁতে ৰজা সূৰ্য্যবৰ্মাৰ প্ৰহৰী তথা সৈন্যকেইজনকমান তৎক্ষণাৎ হত্যা কৰিলে আৰু কিছুমানক বন্দী কৰিলে।

সিহঁতে এইবোৰ কৰি থাকোঁতে সুবাহু কাঁড় যোৱাদি গৈ থাকিল চন্দ্ৰবৰ্মাৰ ওচৰলৈ। সৰ্পকেতুৰ সৈন্যহঁতৰ চৰ্দাৰে চিঞৰি কৈ উঠিল, "তাক ধৰা, ধৰা তাক! চাবা, ই পলাব নোৱাৰে যেন। শনিমৰ্দনক ধৰাগৈ এতিয়াই!"

সৰ্পকেতুৰ সৈন্যহঁতে সুবাহুক ধৰিবলৈ বিজুলীগতিৰে ঘোঁৰা চেঁকুৰাই গৈ থাকিল। এটা শত্রুসৈন্য সুবাহুৰ ঘোঁৰাটোৰ কাষ চাপি যোৱাৰ লগে লগে হঠাৎ সুবাহুৱে তাৰ ঘোঁৰাটোক ৰখাই ঘূৰি থিয় হ'ল আৰু সৈন্যটোক গবা মাৰি ধৰি তাৰপৰা তাৰ তৰোৱালখন কাঢ়ি ল'লে আৰু তাক বগৰাই পেলালে। ইতিমধ্যে আন এটা শত্রুসৈন্য তাত উপস্থিত হ'লগৈ আৰু সুবাহুৱে তাক চকুৰ পচাৰতে তৰোৱালেৰে ঘপিয়াই কাটি পেলালে।

এই দৃশ্য দেখি, সৰ্পকেতুৰ সৈন্যহঁতৰ মাজত কিছুমানে শনিমৰ্দন তথা সুবাহুক ধৰিবলৈ তীৰবেগে গৈ থাকিল। কিন্তু সুবাহুৱে তৎক্ষণাৎ উল্কাবেগেৰে তাৰ ঘোঁৰাটো চলাই দিলে। [অহা সংখ্যাত



অন্ধ-বিশ্বাস

প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালত ওলমি থকা শ'টো নমাই আনি, কান্ধত পেলাই লৈ, নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে ক'লে, "হে ৰজা, তোমাৰ এই শ্ৰম তথা ধৈৰ্য্যৰ তুলনা নাই। কিন্তু মানুহে চেষ্টা কৰিলেই যে সকলো কাম কৰিব পাৰিব—তাৰ নিশ্চয়তা নাই। কিয়নো, সৎকাৰ্য্যতো প্ৰায়েই খোজেপতি বাধা। আজি মই তোমাক মণিধৰ নামৰ এগৰাকী বিখ্যাত ব্যৱসায়ীৰ কাহিনী ক'ম। কাহিনীভাগ শুনি শুনি গৈ থাকিলে কমেও তোমাৰ পথশ্ৰম কথঞ্চিত লাঘৱ হ'ব।" এই বুলি কৈ বেতালে ক'বলৈ ধৰিলে ঃ

মণিধৰে জাহাজেৰে মাল-বস্তু অনা-

'বেতাল-কথা'

নিয়া কৰিছিল, বিদেশলৈ গৈছিল। এই আমদানী-ৰপ্তানীৰ কাৰবাৰত তেওঁ লাখ লাখ টকা উপাৰ্জন কৰিছিল। কিন্তু এবাৰ তেওঁৰ ঢেৰ ক্ষতি হৈ গ'ল। সাগৰ-দস্যুহঁতে সাগৰত তেওঁক আক্ৰমণ কৰি সকলো মাল-বস্তু কাঢ়ি লৈ গুচি গ'ল।

এই ঘটনাৰ পাছত মণিধৰৰ বন্ধু এজনে এদিন তেওঁক কথাই কথাই সুধিলে, "তোমাৰ আঙুলিত থকা বাখৰ খটোৱা আঙঠিটো দেখাত ভালেই—পিছে, সেই বাখৰটোনো কি বাখৰ?"

"ইমান দিনৰ পাছত দেখাদেখি—মোৰ কথা, মোৰ ব্যৱসায়ৰ কথা নুসুধি কেৱল আঙঠি, বাখৰ আদিৰ কথা সুধিছা কেলেই কোৱাচোন?" মণিধৰে মোহনক সুধিলে।

"এই বাখৰৰ প্ৰভাৱতে তোমাৰ জাহাজত ডকাইতি হ'ল। তুমি এতিয়াৰে-পৰাই সাৱধান নোহোৱা যদি তোমাৰ ভাগ্যত আৰু ঢেৰ ক্ষয়-ক্ষতি হ'ব।" এই বুলি কৈ মোহন গুচি গ'ল।

মোহনৰ কথাত মণিধৰৰ মনত সংশয়ৰ সৃষ্টি হ'ল। মণিধৰে দিনে-নিশাই ভাবি থাকিল: এই বাখৰপতা আঙঠিটোৰ বিষয়ে মোহন ইমান স্পৰ্শকাতৰ হৈ উঠিল কিয়? দিন যোৱাৰ লগে লগে এই কথা চিন্তা কৰি কৰি মণিধৰ আচ্ছন্নৰ দৰে হৈ পৰিল। এই কথা লৈ মণিধৰে তেওঁৰ অন্যান্য বন্ধু-বান্ধৱৰ লগতো আলোচনা কৰিবলৈ ধৰিলে। বহুতেই তেহুক ক'লে, "মণিধৰ, বাখৰ বৰ সাধাৰণ বস্তু নহয়। বিভিন্ন বাখৰে মানুহৰ জীৱনত বিভিন্নধৰণে প্ৰভাৱ বিস্তাৰ কৰে। এই কথাৰ সত্যতাৰ স্বপক্ষে ঢেৰ প্ৰমাণ আছে।"

বন্ধুহঁতৰ কথা শুনি মণিধৰৰ মনত আশংকাৰ সৃষ্টি হ'ল। এদিন মণিধৰ গ'ল বাখৰ কাৰবাৰী সোমশেখৰৰ ওচৰলৈ।

সোমশেখৰে মণিধৰৰ কথা মনপুতি শুনিলে, তেওঁৰ বাখৰপতা আঙঠিটো

তেওঁৰপৰা খুজি লৈ বাখৰটো উলিয়াই পেলাই দিলে জাবৰ-জোথৰৰ মাজত। তাৰ পাছত মণিধৰ জন্মলগ্ন, বংশতালিকা, গোত্ৰ ইত্যাদি জানি লৈ, বহু সময় ধৰি হিচাপ কৰি, আন এটি নীলা বৰণৰ বাখৰ আঙঠিটোত লগাই মণিধৰক তেওঁৰ আঙঠিটো ওভোতাই দি ক'লে, "এই বাখৰটো হ'ল আচল নীলা। আঙঠিটো সদায় পিন্ধি থাকিব। এই বাখৰৰ প্ৰভাৱ যে কিমান আৰু কেনেকুৱা, কিছুদিনৰ ভিতৰতে আপুনি নিজেই বুজি পাব। এই বাখৰৰ দাম অত্যন্ত বেছি, পিছে— সম্প্ৰতি যিহেতু আপুনি ব্যৱসায়ত ক্ষতি-গ্ৰস্ত হৈছে, সিহেতুকে আপোনাক মই বিনা লাভত, খৰিদ-মূল্যতে দিছোঁ। আপুনি মাত্ৰ এহেজাৰ মুদ্ৰা দিব মোক।" জহৰী সোমশেখৰে মণিধৰক ক'লে। মণিধৰেও এহেজাৰ মুদ্ৰা দি গুচি গ'ল।

কিছুদিনৰ অন্তত, এদিন মণিধৰ পুনৰ সোমশেখৰৰ দোকানলৈ গ'ল। মণিধৰক সোমশেখৰে সুধিলে, "নীলাৰ প্ৰভাৱ কিবা উপলব্ধি কৰিব পাৰিছেনে?"

"একেবাৰে নাই পোৱা বুলি ক'ব নোৱাৰোঁ। মোৰ আকৌ বিৰাট ক্ষতি হৈ গ'ল।" মণিধৰে ক'লে।

"কেনে ধৰণৰ ক্ষতি? মোক ভাঙি-পাতি কওকচোন?" সোমশেখৰে ক'লে।

মণিধৰে দুশ্চিন্তাগ্ৰস্তভাৱে ক'লে, "মোৰ দুৰ্ভাগ্যৰ কথা আৰুনো কি ক'ম? মই মোৰ চাৰিখন জাহাজ বিদেশলৈ পঠাইছিলোঁ। তাৰ মাজত এখন জাহাজ ধুমুহাৰ কবলত পৰি ডুবি গ'ল। ক্ষতিৰ পৰিমাণ কমেও বিছ লাখ মুদ্ৰা।"

"সোমশেখৰে ক'লে, "কিন্তু আন তিনিখন জাহাজৰ তো ক্ষতি হোৱা নাই। এয়া কম সৌভাগ্যৰ কথানে?"

"ওঁ, ঠিক।" মণিধৰে মূৰ দুপিয়ালে।

"মোৰ প্ৰদত্ত নীলাই যে আপোনাৰ উপকাৰ কৰিলে—সেই বিষয়ত বিন্দু

মাত্ৰ সন্দেহো নাই। অৰশ্যে—এখন জাহাজ ডুবি যোৱাত আপোনাৰ নিশ্চয় ক্ষতি হ'ল। তথাপি—অন্য তিনিখন যে ৰক্ষা পৰিল সেই কথাটো আপুনি সমূলি পাহৰি থাকিল যেন পাইছোঁ। আপুনি অলপ দ'কৈ ভাবি চাওক ঃ ইমান প্ৰচণ্ড ধুমুহাত পৰি যি জাহাজখন ডুবিল, আন তিনিখন জাহাজো সেই একেই ভয়ংকৰ ধুমুহাত পৰি ডুবি যাব পাৰিলেহেঁতেন। কিন্তু নুডুবিল। কিয় নুডুবিল? ইয়াতে সেই নীলাৰ প্ৰভাৱ। নীলাৰ অমোঘ প্ৰভাৱৰ ফলত তিনিখন জাহাজ ৰক্ষা পৰিল। নীলা আপোনাৰ হাতত নথকা-হেঁতেন চাৰিখন জাহাজেই সাগৰৰ তলি পালেগৈহেঁতেন, আৰু আপুনিও বাটৰ ভিকহু হৈ পৰিলহেঁতেন।" সোমশেখৰে দৃঢ়তাৰে কথাবোৰ মণিধৰক ক'লে।

এই কথাৰ উত্তৰত নণিধৰে একো নোকোৱাকৈ, আঙুলিৰপৰা আঙঠিটো সোলোকাই লৈ, সোমশেখৰক বাখৰপতা আঙঠিটো দি ঘৰলৈ গুচি গ'ল।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক ক'লে, "হে ৰজা, নীলা ধাৰণ কৰাৰ পাছত মণিধৰৰ মাত্ৰ এখন জাহাজ ডুবিল, তিনিখন জাহাজ অক্ষত থাকিল। তিনিখন জাহাজ যে নীলাৰ প্ৰভাৱতে ৰক্ষা পৰিল, সোমশেখৰে মণিধৰক সেই কথাটো বিস্তাৰিতভাৱে বুজাই কৈছিল। তথাপি মণিধৰে সোম-শেখৰৰ কথাৰ তাৎপৰ্য্য, তথা নীলাৰ অপৰিসীম প্ৰভাৱৰ কথা ধৰিব নোৱাৰিলে। মণিধৰ কিন্তু বাস্তৱিকতে নিৰ্বোধ মানুহ। নহয়নে বাৰু? মোৰ এই প্ৰশ্নৰ সঠিক উত্তৰ জানিও সঠিককৈ নিদিয়া যদি, তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰ-মাদিত্যই ক'লে, "মণিধৰে হঠাতেই এটা বাখৰ কিনি আঙঠিত লগাই লৈছিল। বাখৰটো দেখাত ধুনীয়া—মণিধৰৰ মনত

বাখৰটোৰ প্ৰতি আকৰ্ষণ আছিল মাত্ৰ ইমানেই। বাখৰ বা পাথৰেও যে কিবা প্ৰভাৱ বিস্তাৰ কৰিব পাৰে—এই ধাৰণা তেওঁৰ মনত নাছিল। তেওঁৰ মনত তেওঁৰ বন্ধু মোহনে এই ধাৰণা সুমুৱাই দিছিল। সাগৰত ধুমুহা উঠাটো আছিল তেওঁৰ মানত এক স্বাভাৱিক কথা। ধুমুহাৰ কবলত পৰিলে জাহাজ ডুবিব—এইকথাও আছিল তেনেই স্বাভাৱিক। বন্ধুহঁতৰ কথাত তেওঁ বাখৰৰ ধূৰ্ত জহৰী সোমশেখৰৰ কাষ চাপিছিল।

সোমশেখৰ আছিল অতি সিয়ান জহৰী। বাখৰৰ প্ৰতি বিশ্বাস থকা-সকলেই যে তাৰ কাষ চাপে সেই কথা সোমশেখৰ ভালেকৈয়েই জানিছিল। সোমশেখৰৰ কথাৰ ছেও আছিল অতুলনীয়, আৰু কথাৰ জালেৰে সি মানুহৰ মন আবদ্ধ কৰিব পাৰিছিল। এইদৰেই, মণিধৰকো কথা পিন্ধায়েই সোমশেখৰে বশ কৰি পেলাইছিল, হাজাৰ মুদ্ৰাৰে বাখৰ এটা বেচিব পাৰিছিল। কিন্তু পাছত, নীলা হাতত থকা সত্বেও এখন জাহাজ ডুবি যোৱাত মণিধৰৰ মন বাখৰ সম্পৰ্কে সন্ধিগ্ধ হৈ উঠিল। তেওঁৰ ধাৰণা হ'ল, মানুহে যেতিয়া আত্মবিশ্বাস হেৰুৱায় পেলাই, তেতিয়াইহে এনেবোৰ অন্ধবিশ্বাসে মানুহৰ জীৱনত সৰ্বনাশ কঢ়িয়াই আনে। আচলতে এইবোৰ বাখৰ-পাথৰ ধাৰণ যে মানুহৰ মনৰ দুৰ্বলতা বাদে আন একোৱেই নহয়—সেই কথাত মণিধৰ দৃঢ় হৈ উঠিছিল। তাৰ কাৰণেহে এই অপ্ৰয়োজনীয় আঙঠিটো মণিধৰে সোমশেখৰক ঘূৰাই দিছিল।

মণিধৰৰ কাৰ্য্যত নিৰ্বুদ্ধিতা একো নাছিল, আছিল বুদ্ধিৰ প্ৰকাশ।”

এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত



মাত্ৰাজ্ঞান

ভদ্ৰশীল নাম এগৰাকী ধাৰ্মিক মানুহে দেশে দেশে ভ্ৰমি ৰাইজৰ মাজত ধৰ্মালোচনা কৰিছিল। তেওঁ অতি সহজভাৱে ধৰ্মৰ কথা কৈছিল। তেওঁৰ কথা সকলোটিয়েই সহজভাৱে বুজি পাইছিল। তেওঁৰ দুজন শিষ্য আছিল। এজনৰ নাম কংকণ, আনজনৰ নাম আছিল লোহক। বৃদ্ধ বয়সত ভদ্ৰশীল অসুস্থ হৈ পৰিল। তাৰ ফলত তেওঁ তেওঁৰ প্ৰচাৰৰ দায়িত্বভাৰ কংকণৰ ওপৰত অৰ্পিলে।

কংকণৰ ওপৰত প্ৰচাৰৰ দায়িত্ব দিয়াত, গুৰুৰ অবিচাৰৰ কথা ভাবি লোহকে মনত বৰদুখ পালে।

লোহকে ভদ্ৰশীলক ক'লে, "গুৰুদেৱ, মোৰ ধৰ্মজ্ঞান হয়তো অলপ কম, নাইবা মোৰ সেৱা-শুশ্ৰূষা আপুনি কিজানি বেছি ভাল পায়। কিন্তু এই দুটাৰ মাজত এটাও নহয় যদি, তেনেহ'লে কংকণৰ প্ৰতি আপোনাৰ পক্ষাপাতিতা আছে বুলি মই ধৰি ল'ম।"

ভদ্ৰশীলে মিচিকীয়াই হাঁহি মাৰি ক'লে, "চোৱাঁ লোহক, ধৰ্মৰ বিষয়ে তোমাৰ জ্ঞান যে কিমান গভীৰ—সেই কথা মোৰ অজ্ঞাত নহয়। প্ৰকৃতপক্ষে কংকণতকৈ তোমাৰ জ্ঞান অধিক।"

গুৰুৰ কথা শুনি লোহকৰ মনত আনন্দৰ জোৱাৰ বৈ গ'ল। অলপ পাছত ভদ্ৰশীলে পুনৰ ক'লে, "মানুহক ধৰ্মৰ বিষয়ে জ্ঞানদান বৰ টান কাম। কওঁতে অলপ ইফাল-সিফাল হ'লেই শ্ৰোতাৰ মনত বিপৰীত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। এই কথা মই জানো, সেই কাৰণেহে

মমতা বৰঠাকুৰ

তোমাক মই ধৰ্মপ্ৰচাৰৰ বাবে নপঠালোঁ।”

লোহকে এই কথা শুনি ভাল নাপালে। ৰুষ্ট হৈ লোহকে ক'লে, “হে গুৰু, আপুনি মোক কেতিয়াও ভাষণ দিবলৈ সুযোগ দিয়া নাছিল। তেনে-স্থলত, আপুনিনো এনেহেন মন্তব্য কিয় কৰিছে মই বুজা নাই। ক'ৰবাত কেতিয়াবা শুনাৰ পাছত এই মন্তব্য কৰাহেঁতেন মই মানি ল'লোহেঁতেন।”

ভদ্ৰশীলে খন্তেকমান ভাবি লৈ ক'লে, “ঠিক আছে। আজি গধূলিতে শ্ৰীপুৰৰ শিৰদ'লত মোৰ ভাষণ দিয়াৰ কথা আছে। তাত মই একো নকওঁ, তুমিয়েই ক'বা। যাবলৈ সাজু হৈ থাকিবা।”

গুৰুৰ কথাত লোহক আনন্দিত হ'ল। শ্ৰীপুৰৰ শিৰদ'লত উপস্থিত ৰাইজৰ আগত লোহকে ভাষণ দিবলৈ ধৰিলে। তাৰ আলোচ্য বিষয় আছিল: ‘ধনেই সুখৰ মূল নহয়’। এজন মানুহ কেৱল ধনৰেপৰাই সুখ পাব নোৱাৰে। তাৰ বক্তব্যৰ স্বপক্ষে বহুতো উদাহৰণ দাঙি ধৰি লোহকে এঘণ্টামান ভাষণ দিলে।

বহুতোপৰলৈকে ভাষণ দিয়াৰ অন্তত লোহকে শ্ৰোতাৰাইজক ক'লে, “ধনেৰে যে সকলো পাব নোৱাৰি, সেই কথা বোধকৰোঁ আপোনালোকে বুজি পাইছে।”

লগে লগে কেইজনমান শ্ৰোতাই কৈ উঠিল, “ওঁ—ফটফটীয়াকৈয়েই বুজি



পাইছোঁ।" এই কথা কৈয়েই তেওঁলোকে হাত চাপৰিৰে লোহকক তাৰ ভাষণ বন্ধ কৰিবলৈ ইংগিত কৰিলে। কিন্তু লোহকে এই হাত-চাপৰিৰ বিপৰীত অৰ্থ কৰি দুগুণ উৎসাহৰে কৈ থাকিল: "ধনেৰে আমি আনন্দ কিনিব পাৰোঁনে? ধনেৰে সুখ কিনিব পাৰিনে?" এই বুলি কৈ, এজন শ্ৰোতাক থিয় হ'বলৈ অনুৰোধ কৰিলে লোহকে। শ্ৰোতাজন থিয় হোৱাৰ পাছত লোহকে সুধিলে, "তুমি কোৱাচোন বোপা, মই তোমাক যদি 'এশ মুদ্ৰা দিওঁ, তুমি মোৰ কথা মতে তোমাৰ পিতৃ-মাতৃক ঘিণাব পাৰিবানে?"

শ্ৰোতাজনে ভেবা লাগি চাই ৰ'ল লোহকৰ পিনে। এনেতে আন এজন শ্ৰোতাই থিয় হৈ লোহকক ক'লে, "মই মোৰ মোমায়েকক ঘৃণা কৰিবলৈ ৰাজী। পিতৃ-মাতৃৰ ক্ষেত্ৰ এশ টকা দিয়ে যদি—মোমায়েকৰ ক্ষেত্ৰত কিমান দিব কওক।"

এই কথা শুনি তাত গোটখোৱা মানুহখিনিয়ে হো-হোৱাই হাঁহি উঠিল। তাৰ পাছত, আমনি পাই সকলোটি গুচি গ'ল।

তেতিয়া ভদ্ৰশীলে লোহকৰ পিঠিত লাহেকৈ হাত ফুৰাই ক'লে, "বোপা, এতিয়া বুজিলানে—তোমাক কিয় ধৰ্ম-প্ৰচাৰ কৰিবলৈ সুযোগ দিয়া নাছিলোঁ মই? আচল কথাটো হ'ল, তুমি যথেষ্ট অধ্যয়ন কৰা সত্ত্বেও তোমাৰ মাত্ৰাজ্ঞান নাই। কাক কোন কথা কিমানপৰলৈকে ক'ব লাগে তুমি একেবাৰেই নাজানা।"

গুৰুৰ কথাৰ প্ৰতিবাদ কৰিব নোৱাৰিলে লোহকে। নীৰৱে নিমাতে লোহক তলমূৰ থিয় হৈ থাকিল।

এই ঘটনাৰ পাছৰপৰা লোহকে কেতিয়াও ভাষণ দিবলৈ চেষ্টা নকৰি ধৰ্মাধৰ্মৰ বিষয়ে অসংখ্য গ্ৰন্থ ৰচনা কৰি যথেষ্ট খ্যাতি আৰ্জিছিল।

হাঁহিৰ হিলৈ

শিৰপুৰ আৰু স্বৰ্ণপুৰ নামৰ দুখন দেশ আছিল। এই দেশ দুখনৰ মাজত সদায় বিৰোধ, বিৰূপতা আছিল। দুয়োখন দেশৰ ধনবল-জনবল তথা সৈন্যবলো আছিল সমান। কিছুকালৰ পাছত স্বৰ্ণপুৰৰ সৈন্যবল কমি গ'ল। তেতিয়া স্বৰ্ণপুৰৰ ৰজা বিষ্ণুসেনে ভাবিলেঃ আমাৰ সৈন্যবল হ্রাস হোৱাত শিৰপুৰৰ ৰজাই আমাক আক্ৰমণ কৰিবহি পাৰে।

শিৰপুৰৰ ৰজা আছিল শিৰসনে। তেওঁৰ এটি পুত্ৰ আছিল আৰু স্বৰ্ণপুৰৰ ৰজা বিষ্ণুসেনৰ আছিল এজনী ছোৱালী। স্বৰ্ণপুৰৰ ৰাজকুঁৱৰী আছিল বিবাহ-যোগ্যা। তেওঁ দেখাত আছিল বৰ ৰূপৱতী আৰু নাম আছিল অপৰূপা। ৰজা শিৰসেনৰ পুত্ৰৰ নাম আছিল বিজয়সেন।

স্বৰ্ণপুৰৰ ৰজাই ভাবিলেঃ শিৰপুৰৰ ৰাজকোঁৱৰৰ সৈতে আমাৰ অপৰূপাৰ যোৰা পাতিব পাৰোঁ যদি—উভয় দেশৰ মাজত কোনদিনে যুদ্ধ নহ'ব।

এই কথা গুণা-গঁথা কৰি বিষ্ণুসেনে শিৰসেনৰ ওচৰলৈ দূত প্ৰেৰণ কৰিলে। ৰাজকোঁৱৰ বিজয়সেনে আগৰেপৰা স্বৰ্ণ-পুৰৰ ৰাজকুঁৱৰী অপৰূপাৰ ৰূপ-সৌন্দৰ্য্যৰ খ্যাতি শুনিছিল আৰু অপৰূপাক বিয়া কৰোৱাৰ প্ৰবল ইচ্ছাও আছিল তেওঁৰ মনত, আৰু এই কথাটো ৰজা শিৰসেনেও জানিছিল। এতেকে, ৰজা বিষ্ণুসেনৰ প্ৰস্তাৱত শিৰসেন তৎক্ষণাৎ সন্মত হ'ল।

তাৰ পাছত, বিবাহৰ কথা খাটাং কৰিবলৈ আত্মীয়-স্বজন বন্ধু-বান্ধৱসকলৰ উপস্থিতিত ৰজা শিৰসেনে আলোচনা-সভা

বশিষ্ঠ বৰুৱা

পাতিলে। তাত খোৱা-বোৱাৰো আয়োজন আছিল। বিষ্ণুসেনৰ পত্নী মহাৰাণী জয়ন্তদেৱীয়ে-কন্যা অপৰূপাকো লগত লৈ আহিছিল। তেওঁলোকক আহাৰ্য্য পৰিবেশন কৰোঁতে মালতী নামৰ লিগিৰী এজনীয়ে খিক্‌কৈ হাঁহি মাৰিলে আৰু তাত উপস্থিত থকা সকলোটিয়েই তাইলৈ একেলগে ঘূৰি চালে। পৰিস্থিতি বৰ গম্ভীৰ হৈ উঠিল। গম্ভীৰ হোৱাৰ কাৰণো আছিল অত্যন্ত বিচিত্ৰ।

বিষ্ণুসেন ৰজাই ৰজা শিৰসেনৰ সৈতে বিবাহৰ যৌতুকাদি আলোচনা কৰি আছিল। তেওঁ ভাবিলে ঃ মই এখন দেশৰ ৰজা। মোৰ ধন-বিতৰ অভাৱ নথকা সত্বেও যৌতুক, ধন আদি খোজাত কিজানি মালতীয়ে হাঁহিলে।

ৰজা শিৰসেনৰ পত্নীয়ে ভাবিলে ঃ মই যে অলপ খোনা, আৰু সেই কাৰণে যে মই কাৰো সৈতে মাত-বোল কৰা নাই—সেই কথা ভাবিহে মালতীয়ে হাঁহিলে চাগৈ।

ৰজা বিষ্ণুসেনে ভাবিলে ঃ মই যুদ্ধৰ নামত ভয় খাই, কটকী পঠাই এই বিয়াৰ বন্দবস্ত কৰাৰ কথা এই লিগিৰীজনীয়ে নিশ্চয় কেনেবাকৈ গম পালে আৰু সেই কথা ভাবি, নিশ্চয় মোক দেখিহে তাইৰ হাঁহি উঠিল।

বিষ্ণুসেনৰ পত্নীয়ে চুলিত কলপ অৰ্থাৎ ক'লা ৰং সানিছিল। ইয়ালৈ অহাৰ আগে আগে খৰখেদাকৈ কলপ সানোতে মুখত বা আন ক'ৰবাত কলপ লাগি থকা দেখি তাই হাঁহিলেনেকি—তেওঁৰ মনত সেই কথাত ঘোৰতৰ সন্দেহৰ সৃষ্টি হল এই হাঁহিৰ শব্দ শুনি।

অপৰূপাই বাৰে বাৰে বিজয়লৈ চাই আছিল। অপৰূপাই ভাবিলে ঃ মই বিজয়লৈ কেৰাহিকৈ চোৱালৈ মালতীয়ে নিশ্চয় মন কৰিছে আৰু নিশ্চয় সেই কাৰণে তাই এনেকৈ খিক্‌কৈ হাঁহিলে।

ৰাজকোঁৱৰ বিজয়সেনে ভাবিলেঃ মই মোৰ বন্ধুহঁতৰ যোগেদি অপৰূপাৰ সৈতে কথা পতাৰ চেষ্টা কৰালৈ মালতীয়ে নিশ্চয় লক্ষ্য কৰিলে। বৰ লাজৰ কথাহে হ'ল। নহ'লেনো তাই হাঁহিব কিয়?

ৰজা শিৰসেনৰ মহামন্ত্রীৰ নাম আছিল সুধৰ্ম। ইয়াত উপস্থিত হোৱা সকলোটিয়েই নিমাত-নিস্তব্ধ হৈ পৰালৈ লক্ষ্য কৰি তেওঁ মালতীক ক'লে, "মালতী, তুমি হঠাৎ তেনেকৈ হাঁহিলা কিয় সকলোটিৰ আগত খুলি-মেলি কোৱাঁ।"

মন্ত্রী সুধৰ্মৰ কথাত মালতী তলমূৰ হ'ল। মালতীয়ে একো উত্তৰ নিদিয়াত সুধৰ্মই পুনৰ মালতীক ক'লে, "চোৱাঁ মালতী, তুমি মনে মনে থাকা যদি, তেনেহ'লে এওঁলোকৰ প্রত্যেকৰ মনত অস্বস্তিৰ সৃষ্টি হব। গতিকে—তোমাৰ এই হাঁহিৰ হেতু ভাউ-পাতি ক'বই লাগিব এওঁলোকৰ আগত। এয়া মোৰ কঠোৰ নির্দেশ।"

তেতিয়া মালতীয়ে লাজ পাই, ভয় খাই, সেপ ঢুকি ক'লে, "মোৰ তেওঁ একেবাৰে যাক বোলে পাহৰা ধানৰ ভাত খোৱা মানুহ। তেওঁক বহু দিন ধৰি মই নতুন ধৰণৰ কাঁচৰ চুৰী কিনি আনিবলৈ কৈছিলোঁ, কিন্তু তেওঁ সদায় পাহৰি থাকে। আজি মই—তেওঁ যাতে পাহৰি নাযায়, তাৰ বাবে—তেওঁৰ হাতত মোৰ পুৰণা চুৰী এযোৰ পিন্ধাই দিছিলোঁ। কিন্তু তেওঁ আজিও পাহৰি পাকিল, আৰু মই পিন্ধাই দিয়া সেই চুৰি পিন্ধা অৱস্থাতে ইয়ালৈ কাম কৰিবলৈ আহিল। এই দৃশ্য দেখিহে মোৰ হাঁহি উঠিছিল। সোৱা চাওক, তেওঁ চুৰী পিন্ধা অৱস্থাতে তাত থিয় হৈ আছে।"

মালতীয়ে এজন গোঁফাল চুৰী পিন্ধা প্রহৰীলৈ আঙুলিয়াই দিয়াত সকলোটিয়েই সেই মানুহজনৰ পিনে চাই হাঁহি উঠিল। এই হাঁহি আছিল স্বস্তিৰ হাঁহি।

বিশ্বাসঘাতক

তেতিয়া ব্ৰহ্মদত্ত আছিল কাশীৰ ৰজা। তেওঁৰ ৰাজত্বকালত পাঁচশজন বেপাৰী জাহাজেৰে সাগৰেদি গৈ থাকোঁতে অকস্মাৎ ধুমুহাত পৰি জাহাজখন ডুবিল। মাত্ৰ এজন বেপাৰী ৰক্ষা পৰিল, তেওঁ সাঁতুৰি সাঁতুৰি তীৰ পালেগৈ।

ৰক্ষা পোৱা বেপাৰীজনে যি ঠাইত ভৰি দিব পাৰিলে, সেই ঠাইডোখৰৰ নাম আছিল কৰম্বিয়া। তীৰত উঠি, তেওঁ ভোকৰ পোৰণিৰে অস্থিৰ হৈ উঠিল। তেওঁৰপৰা জাহাজডুবিৰ করুণ কাহিনী শুনি কৰম্বিয়াৰ অধিবাসীসকলে তেওঁক বহুতো কিবাকিবি দিব খোজাত তেওঁ ক'লে, "ঢেৰ বস্তু-সামগ্ৰীৰে মই কি কৰিম? মোক অলপ খাদ্য আৰু বস্ত্ৰ দিলে মই কৃতাৰ্থ হ'ম।" এই বুলি কৈ, বেপাৰী মানুহজনে প্ৰচুৰ বস্তু-সামগ্ৰী ঘূৰাই দিলে।

ইমান মূল্যবান বস্তু-সামগ্ৰী পায়ো ঘূৰাই দিয়াত কৰম্বিয়াৰ অধিবাসীসকলে কোৱাকুই কৰিলে: "মানুহজন নিশ্চয় এজন মহাপুৰুষ।" এই কথা ভাবি, অধিবাসীসকলে বেপাৰীজনৰ বাবে এখন কুটীৰ সাজি দিলে।

বেপাৰীজনে সেই কুটীৰতে থাকিবলৈ ধৰিলে। তেওঁক ৰাইজে কৰম্বিয়া মহামুনি নামেৰে অভিহিত কৰিলে। এওঁৰ কথা সমগ্ৰ কৰম্বিয়াত প্ৰচাৰিত হৈ পৰিল। তেওঁৰ দৰ্শন লাভৰ বাবে আনকি ৰজা-মহাৰজাও আহিবলৈ ধৰিলে। কৰম্বিয়া মহামুনিৰ দৰ্শনলাভৰ বাবে অহা ৰাজন্য বৰ্গৰ মাজত সৰ্পৰাজ পণ্ডৰক আৰু গৰুড়

'জাতক-কথা'

ৰাজ বোধিসত্ত্ব আছিল অন্যতম।

এদিন, গৰুড়ৰাজ বোধিসত্ত্বই এইজন মহামুনিক ক'লেহি, "হেম হামুনি, গৰুড় আৰু সৰ্পৰ মাজত অনন্তকাল ধৰি যুদ্ধ চলি আছে. এই যুদ্ধতে সদায় গৰুড়ইঁতৰ অধিককৈ মৰে। এতিয়া, আপোনাক মোৰ প্ৰশ্ন, কেনেকৈ যুদ্ধ কৰিলে গৰুড়ইতে সৰ্পবিলাকক মাৰি পেলাব পাৰিব? সিইঁতক যে আমি মাৰিব নোৱাৰিছোঁ, তাৰ গুৰিত নিশ্চয় কিবা ৰহস্য বিদ্যমান এই ৰহস্যৰ গুৰিকথা কী—মোক অনুগ্ৰহ কৰি ক'বনে? এই কাৰ্য্য ৰহস্য উন্মোচন—আপোনাৰ পক্ষে অসম্ভৱনে?"

"নহয় নহয়, অসম্ভৱ নহয়।"

মহামুনিৰ এই উক্তি শুনি গৰুড়ৰাজ গুচি গ'ল। তেওঁ গুচি যোৱাৰ লগে লগে সৰ্পৰাজ উপস্থিত হ'লহি। কৰম্বিয়া মহামুনিয়ে সৰ্পৰাজক ক'লে, "গৰুড়ইঁত হেনো তোমালোকক ছুলেই মৰে। হেতুনো কি? সিহঁতে কেনেকৈ সাপ-বিলাকক জব্দ কৰিব পাৰিব? ৰহস্য কী?"

এই কথাৰ উত্তৰত সৰ্পৰাজে সবিনয়ে ক'লে, "মহাপ্ৰভু, ৰহস্য এটা আছে। কিন্তু সেই ৰহস্য কৈ দিলে মই সৰ্পকুলত বিশ্বাসঘাতকৰূপে অভিহিত হ'ম আৰু তেতিয়া গৰুড়ইঁতে আমাক মাৰি পেলাব।"

"মই তোমাক সুধিছোঁ, তুমি মোক ক'বা। বছ। আনে জানিব কেনেকৈ? মই তোমাৰপৰা সংবাদ জানি লৈ আন কাৰোবাক নকওঁ।" মহামুনিয়ে ক'লে।

সৰ্পৰাজে পাছদিনা ক'ব বুলি কথা দিলে। পাছদিনা যথাৰীতি সৰ্পৰাজ আহিল; কিন্তু মহামুনিক সেই ৰহস্যৰ কথা নক'লে। এইদৰে, মহামুনিয়ে তিনিদিন ধৰি সোধাতো যেতিয়া সৰ্পৰাজে একো নক'লে, তেতিয়া ক্ষুব্ধ মহামুনিয়ে সৰ্পৰাজক ক'লে, "মই তিনিদিন ধৰি সুধিছোঁ কথাবোৰ, কিয় কোৱা নাই?"

মহামুনিৰ কথাৰ উত্তৰত সৰ্পৰাজে

ক'লে, “হে মহাপ্ৰভু, কেতিয়াবা ভুলতো যদি আপোনাৰ মুখৰপৰা কথাৰ ওলাই যায়—সেই ভয়তে ক'ব পৰা নাই।”

“মই শপত খাই কৈছোঁ, আন কাৰবাক নকওঁ মই।” তেতিয়া মহামুনিক সৰ্পৰাজে এই কথা কৈ থাকিল :

“আমি শিলৰ টুকুৰাবোৰ গিলি খাই শৰীৰক গধুৰ কৰি পেলাওঁ। গৰুড়হঁতে যেতিয়া আমাক আক্ৰমণ কৰে, তেতিয়া আমি মুখ মেলি সিহঁতৰ বিৰুদ্ধে যুঁজি থাকোঁ, খুটি দিওঁ। সিহঁতে তেতিয়া আমাৰ মূৰত কামুৰি ধৰি আমাক লৈ উৰি যায়। কিন্তু শিল খাই গধুৰ হোৱা শৰীৰটোক বৰ বেছিপৰলৈ কঢ়িয়াব নোৱাৰি সিহঁত পৰিশ্ৰান্ত হৈ পৰে আৰু অৱশেষত সিহঁতৰ মৃত্যু হয়। সিহঁতে আমাৰ মূৰত নধৰি নেগুৰত কামুৰি ধৰে যদি—আমাৰ মুখৰপৰা শিলৰ টুকুৰাবোৰ সৰি পৰিব, শৰীৰ লঘু হ'ব আৰু সিহঁতেই আমাক মাৰি পেলাব পাৰিব।”

সৰ্পৰাজ গুচি যোৱাৰ পাছ মুহূৰ্ততে গৰুড়ৰাজ মহামুনিৰ ওচৰলৈ আহিল আৰু মহামুনি কৰস্থিয়াই সৰ্পৰাজে কোৱা কথা-বোৰ গৰুড়ৰাজক কৈ দিলে।

“সৰ্পৰাজে ইমান ডাঙৰ ৰহস্যৰ কথা প্ৰকাশ কৰি নিজৰ জাত আৰু কুলৰ প্ৰতি বিশ্বাসঘাতকতা কৰিলে। মই এতিয়াই তাক উচিত শিক্ষা দিমগৈ।” এই বুলি কৈ, গৰুড়ৰাজ পোনে পোনেই সৰ্পৰাজলৈ গৈ, সৰ্পৰাজক লৈ আকাশলৈ উৰি গ'ল নেগুৰত কামুৰি ধৰি।

তলমূৰ হোৱাত সৰ্পৰাজৰ পেটত থকা শিলৰ টুকুৰাবোৰ সৰি পৰিল। তেতিয়া সৰ্পৰাজে নিজক কোৱাদি কৈ থাকিল : মই নিজৰ মৃত্যুক নিজেই চপাই ল'লোঁ। দুৰাত্মা মহামুনিক বিশ্বাস কৰাটো বৰ অন্যায় হ'ল।

এই কথা শুনি গৰুড়ৰজাই ক'লে, “যাক তুমি সাধু বুলি ভাবিছিলা, সি

আচলতে এটা ভণ্ড। তোমালোকৰ ৰহস্য প্ৰকাশ কৰাৰ পাছত এতিয়া খেদ কৰি আৰুনো কি লাভ? জন্মিলে মৰিব লাগে, কিন্তু মূৰ্খৰ দৰে মৰাৰ কোনো অৰ্থ নাই। পিতৃ-মাতৃকৈ শুভাকাংক্ষী কোনো নাই। তথাপি, এনেবোৰ ৰহস্যৰ কথা তেওঁলোককো কোৱা অনুচিত। বন্ধু-বান্ধৱ, আনকি ৰূপৱতী পত্নীকো এনেবোৰ ৰহস্যৰ কথা কোৱা মূৰ্খতা মাথোন। ৰহস্যক প্ৰকাশ নকৰিলেহে শত্ৰুক আঁতৰাই ৰাখিব পাৰি, বা পৰ্যুদস্ত কৰিব পাৰি।"

এই কথা শুনি সৰ্পৰাজে গৰুড়ৰাজক ক'লে, "হে মহাত্মা, আপোনাৰ হিতোপদেশ মই মনে-প্ৰাণে গ্ৰহণ কৰিছোঁ। মাতৃয়ে সন্তানৰ প্ৰতি কৰুণা কৰাদি আপুনিও মোৰ প্ৰতি কৰুণা কৰক।"

"সন্তান তিনিও প্ৰকাৰৰ। শিষ্য, পালিত আৰু গৰ্ভত ধাৰণ কৰা সন্তান। তুমি হ'লা মোৰ শিষ্য পৰ্য্যায়ৰ সন্তান। যি কি নহওক, মই তোমাক মাৰি নেপেলাওঁ।" এই বুলি কৈ, গৰুড়ৰজাই সৰ্পৰাজক ভূমিত এৰি দিলে।

তাৰ পাছত সৰ্পৰাজ গুচি গ'ল নিজ ৰাজ্যলৈ। গৰুড়ৰাজে গৰুড়হঁতক ক'লেগৈ, "সৰ্পৰাজ পণ্ডৰকৰ সৈতে বন্ধু পতালোঁ। পিছে—মোৰ প্ৰতি তেওঁৰ সঠিক মনোভাবৰ বুজ ল'ব লাগিব।" এই বুলি কোৱাৰ পাছত গৰুড়ৰাজ নাগলোকলৈ

গ'ল আৰু সৰ্পৰাজক মাতিলে। গৰুড়-ৰাজৰ কণ্ঠ শুনিয়েই সৰ্পৰাজে শিল-বালি আদি খাই নেগুৰ পকাই বহি ফেট তুলি ফোচফোচাবলৈ ধৰিলে।

সৰ্পৰাজৰ ফোচফোচনি শুনি গৰুড়-ৰাজে ক'লে, "আমি বন্ধু পতালোঁ। দেখোন, তুমিনো ফোচফোচাইছা কিয় ?"

এই কথাৰ উত্তৰত সৰ্পৰাজে ক'লে, "বন্ধু, যাৰ বিবেক আছে তেওঁ কেতিয়াও ইমান সহজতে আনক বিশ্বাস নকৰে। বিশেষকৈ কালিও যাৰ লগত আছিল শক্ৰতা, তাকনো মই এদিনতে বন্ধু বুলি ভাবোঁ কেনেকৈ ?"

গৰুড়ৰাজে হাঁহি মাৰি ক'লে, "মোক তুমি মোৰেই কথা আওৱাই শুনাইছা ? তোমাৰ কথাৰ তাৎপৰ্য্য নথকা নহয়। এতিয়া, আমি সেই ভণ্ড মহামুনিৰ ওচৰলৈ যাওঁ ব'লা।"

দুয়ো মহামুনিৰ ওচৰলৈ গ'ল। সৰ্পৰাজে মহামুনিক ক'লে, "তোমাক বিশ্বাস কৰি, শ্ৰদ্ধা কৰি আমাৰ গভীৰ ৰহস্যৰ গুপুত কথা কৈছিলোঁ। তুমি সেই কথা গৰুড়ৰাজক কৈ দিলা কিয় ?"

"মই অজ্ঞানতাবশতঃ এই কাৰ্য্য কৰিলোঁ। আচলতে তোমালোকক মই সমানেই ভাল পাওঁ। পিছে—গৰুড়ৰাজৰ প্ৰতি মোৰ হয়তো অলপ অধিক দুৰ্বলতা থাকিব পায়।" মহামুনিয়ে ক'লে,।

"সকলো কামনা-বাসনা ত্যাগ কৰি তুমি মহামুনি হ'লা, তথাপি তোমাৰ মাজত পক্ষপাতিত্ব থাকি গ'ল। তোমাৰ এই অপৰাধৰ বাবে মই তোমালৈ অভিশাপ দিছোঁ। তোমাৰ মূৰ ফাটি সাতফাল হওক।"

সৰ্পৰাজে এই অভিসম্পাত দিয়াৰ লগে লগেই কৰম্বিয়া মহামুনিৰ মূৰ ফাটি সাত-ফাল হ'ল আৰু তেওঁ মহামুনি হোৱা সত্বেও নৰকলৈ গমন কৰিলে।



আমাৰ নদ-নদী

নৰ্মদা

নৰ্মদা নৈৰ জন্মবৃত্তান্ত সম্পৰ্কে কোৱা হয় যে, মেকল পৰ্বত হ'ল নৰ্মদা নৈৰ জন্মভূমি। এই পৰ্বতত মানুহৰ অস্তিত্ব নাছিল, দেৱতা আৰু যক্ষ-সকলহে মাজে-সময়ে তালৈ অ হিছিল। ঋতু পৰিৱৰ্তনৰ লগে লগে এই অঞ্চলৰ প্ৰাকৃতিক ৰূপো পৰিৱৰ্তিত হৈছিল।

এবাৰ পৰমশিৱ এই পৰ্বতলৈ আহিল আৰু প্ৰকৃতিৰ দৃশ্য দেখি মুগ্ধ হৈ তাতে বহি অনেককাল ধৰি ধ্যান কৰিবলৈ ধৰিলে। শিৱৰ দিব্যৰূপ অৱলোকন কৰি প্ৰকৃতি তৃপ্তা হ'ল।

পৰমশিৱৰ দেহৰপৰা ওলোৱা দিব্য-তেজৰপৰা হঠাৎ এক পৰমাসুন্দৰীৰ সৃষ্টি হ'ল। সুন্দৰীয়ে শিৱক প্ৰণাম ক'লে; "হে পিতা! মই আনন্দিত মনেৰে থাকিবপৰা বৰ এটি দিয়া।"

“তথাস্ত।” বুলি কৈ, তাইক ‘নৰ্মদা’ নামেৰে অভিহিত কৰি, শিৱই সুন্দৰীক বৰদান কৰিলে। তেতিয়াৰে-পৰাই এই পাৰ্বত্য অঞ্চলত নৰ্মদা বনদেৱীৰ দৰে বসবাস কৰি থাকিল।

ফুল-ফল, পশু-পক্ষী আদি নৰ্মদাৰ সহচৰী হৈ পৰিল। এনেহেন সুন্দৰ পৰিবেশত নৰ্মদাক হৰিণা আৰু ময়ুৰৰে সৈতে খেল-ধেমালি কৰি থকা দেখি সকলোটিয়েই মুগ্ধ-আনন্দিত হৈছিল।

পৰ্বতৰ আঁৰৰপৰা নৰ্মদাৰ এই খেল-ধেমালি দেখি তালৈ অহা দেৱতা-সকলেও আনন্দ লভিছিল। নৰ্মদাক ভাল পোৱা দেৱতাসকলে নৰ্মদাৰ গতিবিধিলৈ সততে দৃষ্টি ৰাখিছিল।

এইদৰে কিছুকাল অতিবাহিত হোৱাৰ অন্তত দেৱতাসকলে নৰ্মদাক প্ৰকৃততে ভাল পাই পেলালে। তেওঁলোকে নৰ্মদাৰ কাষ চাপিল। কিন্তু নৰ্মদাই তেওঁলোকক এৰাই চলিছিল। নৰ্মদাই কোনো এজন দেৱতাকো বিয়া নকৰাব, তাই মুকলিমূৰীয়াজনী হৈ থাকিব।

নৰ্মদাই যিমান দূৰলৈ যায়, দেৱতা-সকলো তাইৰ পিছে পিছে গৈ থাকে। তাইক অনুসৰণ কৰাটোহে যেনিবা দেৱতাসকলৰ একমাত্ৰ কাম হৈ পৰিল। কিন্তু বহু ধৰণে অনুৰোধ কৰা সত্বেও নৰ্মদাই কাকো বিয়া নকৰায়।

এদিন নৰ্মদাই পৰ্বতৰ চূড়া পালেগৈ। লগে লগে দেৱতাসকলো তালৈ গ'ল। নৰ্মদাই এবাৰ মাত্ৰ দেৱতাসকললৈ এপলকলৈ চাই, তাৰপাছত পৰ্বত-চূড়াত স্থিৰভাবে থিয় হৈ থাকিল।

এইদৰে থিয় হৈ থাকোঁতে হঠাৎ এসময়ত জলধাৰা ৰূপে পৰ্বতৰ সিপাৰলৈ প্ৰবাহিত হৈ আগুৱাই যাবলৈ ধৰিলে। দেৱতাসকল কিং-কৰ্তব্যবিমূঢ় হৈ পৰিল। ৰূপৱতী নৰ্মদা চকুৰ পচাৰতে নৈলৈ ৰূপান্তৰিতা হৈ ভৈয়ামৰ ওপৰেদি মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ আৰু গুজৰাট অতিক্ৰম কৰি ব্ৰোচৰ ওচৰত সাগৰত মিলিত হ'লগৈ।

নৰ্মদাৰ তীৰত প্ৰাচীনকালৰেপৰাই বহুতো মুনি-ঋষিয়ে গভীৰ তপস্যা কৰিছিল। নৰ্মদা নৈৰ উৎপত্তিস্থানৰ নাম হ'ল অমৰকণ্টক। অমৰকণ্টক ভাৰতবৰ্ষৰ এক পৱিত্ৰ তীৰ্থস্থান।

অমৰকণ্টকত নৰ্মদা নদীমাতৃকাৰ এটি মন্দিৰ আছে। হাজাৰ-বিজাৰ তীৰ্থযাত্ৰী এই পৱিত্ৰ মন্দিৰ দৰ্শন কৰিবলৈ আহে। এই তীৰ্থযাত্ৰা অনাদিকালৰেপৰা আজিলৈকে একে-দৰেই অব্যাহতভাৱে চলি আছে।

লোভৰ লাভ

বীৰপুৰৰ ললিত বেপাৰী বৰ কৃপণ আৰু লোভী আছিল। ৰাইজে তাক 'লুভীয়া ললিত' বুলি কোৰাকুই কৰিছিল।

এবাৰ গাঁৱতে এখন ধৰমশালা স্থাপন কৰিবলৈ গাঁওবাসীয়ে ঘৰে ঘৰে দান-বৰঙণি খুজি ওলাল। গাঁৱৰ বা অন্যান্য গাঁৱৰো সকলোটিয়েই যে দান-বৰঙণি দিব সাধ্যানুসৰি, সেই কথাত কাৰো মনত সন্দেহ নাছিল; লুভীয়া ললিতে যে এক পইচাও নিদিব সেই কথাতো সন্দেহ নাছিল সিহঁতৰ মনত।

অতঃপৰ গাঁওবাসীয়ে গাঁৱৰ নতুন অধিবাসী সদালাপী নৰকান্তক ললিতপৰা চান্দা আদায় কৰিবলৈ পঠাব বুলি স্থিৰ কৰিলে।

নৰকান্ত গ'ল লুভীয়া ললিতৰ ওচৰলৈ। ললিতে নৰকান্তৰ বক্তব্য শুনাৰ পাছত ক'লে, "তুমি মোৰপৰা চান্দা ল'বলৈ আহিছা; কিন্তু আজিপৰ্য্যে মই কেতিয়াও কাকো চান্দা-টান্দা দিয়া নাই, কোনেও আদায় কৰিব পৰা নাই। এতিয়া তুমিও চেষ্টা কৰি চোৱা আৰু চিধ্‌ধাই গুচি যোৱা।"

ললিতৰ কথা শুনি নৰকান্তই হাঁৰি মাৰি ক'লে, "মই ঠিক তেওঁলোকৰ নিচিনা বুৰ্বকামী নকৰোঁ, বুজিছেনে? মই মোৰ জীৱনত ব্যৰ্থতা বোলা শব্দক ঠাই দিয়া নাই। মই একেবাৰে জধামূৰ্খ নহওঁ আৰু কোনোবা জধামুকখৰ কাষো নাচাপোঁ কেতিয়াও। মই একমাত্ৰ বুদ্ধি থকা-ইঁতৰহে কাষ চাপোঁ, যিসকলৰ বুকুৰ মাজত হৃদয় বোলা বস্তু আছে—তেওঁলোকৰহে কাষ চাপোঁ। অবুজনক বুজোৱাৰ চেষ্টা কৰি কি লাভ কওকচোন?"

"ঠিক, ঠিকেই কৈছা।" এই বুলি কৈ, জীৱনত প্ৰথমবাৰৰ বাবে লুভীয়া ললিতে চান্দা দিলে।



জোনাকৰ জখলা

বিজয়নগৰৰ ৰজা কৃষ্ণদেৱৰ আমোলত এটা চোৰে প্ৰতি নিশা চুৰি কৰিছিল। চোৰটোক ধৰিবলৈ বহু চেষ্টা কৰিও ধৰিব নোৱাৰি ৰজাই তেওঁৰ ৰাজসভাৰ বহুৰা তেলানি ৰামলিংগৰ সৈতে এই বিষয়ে পৰামৰ্শ কৰিলে।

বহুৰা ৰামলিংগই যেনেতেনে এই চোৰটোক ধৰিবলৈ উঠি-পৰি লাগিল। ৰামলিংগই এটা অভিনৱ আঁচনি কৰিলে। য'তেই কেইজনমান গোটখাই আলাপ-আলোচনা কৰি থকা দেখে, ৰামলিংগই তাতেই হাজিৰ হৈ কয়ঃ মোৰ ঘৰত কোনদিনা যে চুৰি হ'ব—সেই ভয়তে মই সদায় অস্থিৰ হৈ আছোঁ। কিয়নো—মোৰ ডাঙৰ কোঠাটোত ঢেৰ ধন-সোণ আছে।' সদায় তো পৰ দি ৰৈ থাকিব নোৱাৰি। এই কথাত বৰ লেঠাত পৰিলোঁ।

এইদৰে কেইবাদিনো ধৰি কথাটো কোৱাত সকলোতে কথাটো প্ৰচাৰ হৈ পৰিল। প্ৰচাৰ হোৱাত ৰামে ভাবিলেঃ মোৰ ঘৰত যিকোনো নিশাতে চোৰ সোমাবহি পাৰে। আহকেই বাৰু, ভালেই হ'ব। —চোৰ সোমালে কি কি কি কৰিব লাগিব তেলানি ৰামলিংগই তাৰ ঘৈণীয়েকক সেই কথা ভালকৈ শিকাই-বুজাই দিলে।

আৰু এনিশা ৰামলিংগৰ ঘৰত সঁচাকৈয়ে চোৰ সোমাল। চোৰে লৰ-চৰ কৰাৰ শব্দ শুনি ৰামলিংগই তাৰ ঘৈণীয়েকক ঠেলি তুলিলে আৰু চোৰ সোমোৱাৰ কথা ফুচফুচাই ক'লে।

ঘৈণীয়েকে চোৰে শুনিবপৰাকৈ জোৰে

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

জোৰে কৈ থাকিল, "বোলোঁ শুনিছানে, আমাৰ ঘৰত যদি কেতিয়াবা চোৰ সোমায়হি, কি হ'ব কোৱাচোন? চোৰৰ কথা ভাবিলেই মোৰ দেহা কঁপে, দেখিলে কিজানি মই মৰি যাম।"



"থোৱাহে থোৱা, চোৰে কৰকেই চুৰি, লৈ যাওক তাক যি লাগে। চোৰে যিখিনি লৈ যাব—মই পাছদিনাই তাৰ চাৰিগুণ ঘৰলৈ লৈ আহিম।" ৰামে ক'লে।

"ভাল কথা, সদায় সুধিম বুলি ভাবিও সোধা নহয়েই যে। তুমিনো সদায় ইমান সোণ, মণি-মুকুতা ক'ৰপৰা আনা কোৱাচোন?" ঘৈণীয়েকে সুধিলে।

"এঃ! এইবোৰ কথা ইমান চিঞৰি নক'বাচোন। মই এইবোৰ চুৰ কৰি আনিছোঁ। কোনোবাই গম পালে মোৰ সৰ্বনাশ হ'ব।" ৰামে ক'লে।

"কিন্তু—ইমান ধন-সোণ মণি-মুকুতা সদায় ক'ত পোৱা?"

"এইবোৰ কথা তোমাক মই নকওঁ।"

"কিয় নক'বা? তুমি নোকোৱালৈকে মই নোশোওঁ, চাকি জ্বলাই বহি থাকিম। তুমি সদায় চুৰি কৰিও ধৰা নপৰাকৈ আছা কেনেকৈ? এদিন তুমি পৰিবাই, ধৰা, চাবা।" ঘৈণীয়েকে ক'লে।

"মই কোনোদিনে ধৰা নপৰোঁ। মই ধৰা নপৰা মন্ত্ৰ জানো। এই মন্ত্ৰ শিকি ল'লে কোনেও ধৰা নপৰে।" ৰামলিংগই ক'লে।

"কিনো সেই মন্ত্ৰ— ?"

"তোমাক একো নোকোৱাই ভাল। তথাপি কওঁ, এই মন্ত্ৰ আন কাৰোবাক কৈছা যদি—আমাৰ সৰ্বনাশ হ'ব। কওঁ শুনা। আমাৰ ৰজাৰ কোষাগাৰৰ ছাদৰ অলপ তলত এখন প্ৰকাণ্ড খিৰিকী আছে, যি খিৰিকীয়েদি এজন মানুহ অনায়াসে সোমাই যাব পাৰে। মই জোনাকনিশা এই খিৰিকীৰ ওচৰত বহি ওম্ ভ্ৰান্তি, ওম্ ভ্ৰান্তি, ওম্ ভ্ৰান্তি—মন্ত্ৰ তিনিবাৰলৈ

উচ্চাৰণ কৰাৰ লগে লগে জোনাকখিনি জখলা হৈ যায় আৰু মই সেই জোনাকৰ জখলা বগাই খোল খাই যোৱা খিৰিকীৰে-কোষাগাৰৰ ভিতৰলৈ সোমাই, এইবোৰ বান্ধি-কুন্ধি লৈ পট্টকৈ ওলাই আহোঁ। জোনাকৰ জখলা পুনৰ জোনাক হৈ পৰে, তাত কোনো ধৰণৰ চিন নাথাকে।" এইবোৰ কথা শুনাৰ অন্তত ৰামৰ ঘৰত সোমোৱা চোৰটোৰ মন উগুলথুগুল হৈ পৰিল। সি ভাবিলে ঃ মন্ত্ৰফাকি যেতিয়া জানিলোঁ, আৰুনো ইয়াত চুৰি কৰোঁ কেলেই ? কেনেবাকৈ ইয়াত ধৰা পৰোঁ যদি—ৰজাৰ কোষাগাৰত আৰু চুৰি কৰিব নোৱাৰিম।

পাছদিনা মাজনিশা জোন ওলাল আৰু চোৰটোও ৰামলিংগই কোৱা মতে কোষাগাৰৰ সেই প্ৰকাণ্ড খিৰিকীৰ আগত ওলালগৈ। সি তাত বহি দিলে আৰু ওম্ ভ্ৰান্তি মন্ত্ৰ তিনিবাৰলৈ কৈ জোনৰ পোহৰক খামুচি ধৰি, জখলা বুলি ভাবি লৈ, খোলা খিৰিকীয়েদি কোষাগাৰত নামিবলৈ চেষ্টা কৰোঁতেই ধুপুচ্ কৈ তললৈ পৰি গ'ল। ইমান ওপৰৰপৰা তললৈ হুৰমুৰকৈ পৰাত তাৰ ভৰি দুখন ভাগিল। বহু চেষ্টাতো তাৰপৰা সি পলাব নোৱাৰিলে।

পাছদিনা ৰাতিপুৱা প্ৰহৰীহঁতে কোষাগাৰৰ দুৱাৰ খুলি চোৰটোক কটকটীয়াকৈ বান্ধি পেলালে।

ৰজাৰ প্ৰশ্নৰ উত্তৰত ৰামলিংগই তাৰ চোৰ ধৰাৰ কৌশল পৰিপূৰ্ণ ৰাজসভাত বিবৰিলে। তাৰ কথা শুনি ৰাজসভাৰ পাৰিষদসকলে হোহোৱাই হাঁহিবলৈ ধৰিলে আৰু ৰামক শলাগিলে।

ৰজা কৃষ্ণদেৱে চোৰ ধৰাৰ এই অভিনৱ আঁচনি তথা কৃতিত্বৰ বাবে তেনালি ৰামলিংগডু আৰু তাৰ ঘৈণীয়েককো যথোচিতভাৱে পুৰস্কৃত কৰিলে।

লাভৰ লোভ

লাভ নথকা কোনো কাম কমলে নকৰে। কমল আছিল এজন দোকানী। কমলৰ কাষতে আছিল গংগাপ্ৰসাদৰ দোকান। গংগাপ্ৰসাদে কমলৰ ইমান ডেমাক সহিব নোৱাৰিছিল। লাভ নথকা অন্ততঃপক্ষে এটা কাম কমলে এবাৰলৈ কৰক—গংগাৰ আছিল এই ইচ্ছা। কিন্তু বহু দিন ধৰি লক্ষ্য কৰিও তেনেকুৱা একো চকুত নপৰিল গংগাপ্ৰসাদৰ।

অৱশেষত বহু ভাবি-চিন্তি গংগাপ্ৰসাদে কমলৰ লোকচান হ'বপৰা এটা ক মৰ আঁচনি কৰিলে। গংগাই কমলৰপৰ বেজী এডাল খুজিলেগৈ, কমলে বেজী এডাল দিলে গংগাক। গংগাই পুৰণা চোলা এটাত তাপলি মাৰি, অ'ত ত'ত চিলাই—তাৰ পাছত বেজীডাল কমলক ওভোতাই দিলে। কমলে বেজীডালৰ সম্পৰ্কে একো নক'লে গংগাক।

গংগাপ্ৰসাদে ভাবিলে : লাভ নথকা এটা কাম কৰিলে ডেমাকী কমলে। এই কামত তাৰ একো লাভ হোৱা নাই, নহয়ো। কেইদিনমানৰ পাছত গংগাই কমলৰপৰা হাতুৰী খুজি লৈ, দুদিনমান ৰাখি, পুনৰ ঘূৰাই দিলে। এই বিষয়তো কমলে গংগাক একো নক'লে।

কমলে একো নোকোৱাত গংগাপ্ৰসাদেই কমলক ক'লে, "হেৰাহে, তুমি হেনো লাভ নথকা কোনো কাম কেতিয়াও নকৰা। কিন্তু বেজী আৰু হাতুৰীৰে কি লাভ কৰিলানো?"

"চোৱাঁ, মই লাভ নোহোৱা কাম কেতিয়াও কৰা নাই, নকৰোঁ।" কমলে ক'লে, "বেজীডাল ওভোতাই দিওঁতে তুমি বেজীৰ লগত সূতা অলপ দিছিলা, আৰু ত বে মই মে ৰ ফটা চুৰীয়াযোৰ চিলালোঁ।" গংগাই ক'লে, "বুজিলোঁ। হাতুৰীৰ বেলিকা কি ক'বা?"

"শুনা, হাতুৰীৰ নালডাল ঢিলা হৈ আছিল। সেই দেখিহে তোমাক দিলোঁ।" কমলে এই কথা কোৱাত গংগাপ্ৰসাদৰ তৎক্ষণাৎ মনত পৰিল যে হাতুৰীৰে দেৱালত গজাল মাৰোঁতে সি এডাল কাঠৰ টুকুৰা ভৰাই হাতুৰীৰ ঢিলা নালডাল ঠিকঠাক কৰি লৈছিল।

কাজীৰ কলগ্ৰহ

বাগদাদ নগৰৰ সিমূৰত থকা এখন গাঁৰত এজোপা গছৰ ছাঁত বহি থকা মানুহ কিছুমানক আন এজন অচিনাকি মানুহে ক'লেহি, "সুখৰ পাছত দুখ, আৰু জয়ৰ পাছত পৰাজয় আছেই।"

এজন গাঁওবাসীয়ে ক'লে, "তুমি কি কৈছা? কাক, আৰু কিয় কৈছা?"

"মোৰ জীৱনৰ অভিজ্ঞতা তোমালোকক কওঁ শুনা।" এই বুলি কৈয়েই মানুহজনে ক'বলৈ ধৰিলে এক দীৰ্ঘ কাহিনী :

সি আছিল নগৰৰ এজন দুৱৰী। এৰাতি সি এঠাইত বহি পৰ দি থাকোঁতে এগৰাকী ৰূপৱতী মহিলা তাৰ আগত উপস্থিত হ'লহি। সি মহিলাগৰাকীক সুধিলে, "তুমি কোন? ক'ত থাকা? এই দুপৰ নিশা তোমাক ইয়াত কি লাগে?"

মহিলাই কেইটামান মুদ্ৰা তাৰ পিনে আগবঢ়াই হাঁহিৰে মুখখন উজলাইতুলিলে।

"মই ঘোচ নলওঁ।" প্ৰহৰীজনে ক'লে।

"এয়া—ঘোচ নহয়। কিবা বেয়া কাম কৰিবলৈ কাৰোবাক টকা-সিকা দিলেহে তাক ঘোচ বুলি ক'ব পাৰি। মই তোমাক এই ৰূপৰ মুদ্ৰাকেইটি দিছোঁ এটি সৎ কাম কৰিবলৈহে। মই যিটো সৎ কাম কৰিবলৈ ওলাইছোঁ, সেই সৎ কামত তুমি সহায় কৰিবা—এয়ে মোৰ আশা।" মহিলাই ক'লে।

"কোন সৎ কামৰ কথা কৈছা?"

"বিচ্ছেদ হোৱা দুগৰাকী সখিৰ সম্পৰ্কক মই পুনৰ অবিচ্ছেদ্যভাৱে যোৰা লগাব খুজিছোঁ। এইদৰে ক'লে তুমি চাগৈ একো বুজি নোপোৱা, মই তোমাক

'আৰবদেশৰ দাস্তাঁ (সাধু)'

অলপ খুলি-মেলি কওঁ শুনা। কাজীৰ ছোৱালীজনী হ'ল মোৰ সখি। আমি দুয়ো দুয়োৰো সৈতে দেখাদেখি হ'ব খুজিছোঁ। মোক দেখা নাপাই তাই অতি মনমৰা তথা উদ্বিগ্ন হৈ আছে। এতেকে, আজি ৰাতি কাজীৰ ঘৰত থাকিবলৈ তোমাৰ সহায় লাগে মোক।"

"এই কাম কেনেকৈনো মই কৰিম? সন্তৰনে?" প্ৰহৰীয়ে সুধিলে।

তেতিয়া মহিলাগৰাকীয়ে প্ৰহৰীক শুন-নুশুনকৈ বহুত কথা বুজাই ক'লে, আৰু প্ৰহৰীয়ে মহিলাগৰাকীক লগত লৈ কাজীৰ অৰ্থাৎ বিচাৰৰ ঘৰলৈ গৈ দুৱাৰত ধৰি খটখটাবলৈ ধৰিলে।

কাজীয়ে দুৱাৰ খোলাৰ লগে লগে প্ৰহৰীয়ে বিনম্ৰভাৱে কাজীক ক'লে, "চাওক খোদাবন্দ্, এই জেনানা (মহিলা) গৰাকী হ'ল আন এখন নগৰৰ বাসিন্দা। ইয়ালৈ—তেওঁ তেওঁৰ এগৰাকী সখিয়েৰাৰ ঘৰলৈ যাব বুলি আহিছিল। কিন্তু তেওঁ সখিয়েৰাৰ ঠিকনা হেৰুৱাই পেলালে। তেওঁ আপোনাৰ ঘৰৰ বাৰাণ্ডাৰ এচুকত বহি আছিল। মই দেখা পাই আগুৱাই গৈ এওঁক চিনি পালোঁ। তেওঁৰ আব্বাজান আছিল মোৰ চিনাকি মানুহ। এওঁ অতি অভিজাত পৰিয়ালৰ মহিলা। এওঁ যদি এইদৰে বাটৰ ওপৰত ৰাতি কটায় —তেনেহ'লে এওঁৰ গাত থকা জেৰৰ (অলংকাৰাদি) কোনোবাই কাঢ়ি লৈ যাব। আপুনি মেহেৰবানী কৰি আজিৰ এই ৰাতিৰ কাৰণে আপোনাৰ ঘৰত এওঁক আশ্ৰয় দিলে ভাল হ'ব।"

প্ৰহৰীৰ কথাত পতিয়ন গৈ কাজীয়ে মহিলাগৰাকীক আশ্ৰয় দিলে।

ৰাতিৰ পহৰাৰ কামৰ শেষপৰত প্ৰহৰীজনে তাৰ ঘৰত শুলেগৈ। কিন্তু হঠাৎ দুৱাৰত খটখটোৱাৰ শব্দ শুনি উচপ খাই উঠি দুৱাৰ খুলি দিলেগৈ। তাৰ ঘৰৰ দুৱাৰৰ আগত তেতিয়া মানুহৰ

জুম। সিহঁতে প্ৰহৰীক টানি-হেঁচি কতোৱালৰ ওচৰলৈ লৈ গ'ল।

কাজী কতোৱালৰ ওচৰতে বহি আছিল। প্ৰহৰীক দেখা পায়েই কাজীয়ে চকু পকাই ধৰিলে তাক, "হেৰ, তোৰ সেই চুৰুণী বান্ধৱী ক'ত আছে ক'। এজন সৎ প্ৰহৰী বুলি ভাবি, তোৰ কথাত তাইক আশ্ৰয় দিছিলোঁ মই।"

তাৰ পাছত কাজীয়ে যেতিয়া ক'লে যে সেই চুৰুণী তিৰোতাজনয়ে কাজীৰ ঘৰৰ আ-অলংকাৰ, হীৰা-জহৰৎ, সোণৰ মোহৰ আদি লৈ পলাল, তেতিয়া প্ৰহৰীজন হতবাক হৈ পৰিল। কাজীয়ে প্ৰহৰী-জনক ডাবি মাৰি ক'লে, "তই চুৰুণীক সহায় কৰিছ, এই গুণাহ্‌ৰ (অপৰাধৰ) বাবে তই দণ্ড ল'বই লাগিব।"

প্ৰহৰীজনে কঁপি-জঁপি ক'লে, "খোদা-বন্দ্ কাজী ছাহাব, প্ৰকৃত অপৰাধীয়ে নিশ্চয় দণ্ড ল'ব লাগিব—এয়ে নিয়ম। কিন্তু অপৰাধীক আত্মপক্ষ সমৰ্থনৰ বাবে তিনিদিনলৈ সময় প্ৰদান কৰা হয়। তিনি-দিন সময় পালে—মই যে নিৰপৰাধ—সেই কথা প্ৰমাণ কৰিবলৈ চেষ্টা কৰিম।"

তাৰ এই অনুৰোধত কতোৱাল আৰু কাজী ৰাজী হ'ল। প্ৰহৰীজন তাৰপৰা ওলাই বাটে পথে ঘূৰি ঘূৰি সেই ৰূপৱতী মহিলাক বিচাৰি থাকিল। দুটা দিন পাৰ হৈ গ'ল। মৃত্যুদণ্ড যে অৱধাৰিত সেই কথাটো প্ৰহৰীয়ে বুজি পালে।

তৃতীয়দিনা—বাটে বাটে অনাই বনাই ঘূৰি ফুৰোঁতে হঠাৎ এটা ঘৰৰ খিৰিকীত সেই মহিলাৰ মুখখন দেখা পালে। মহিলাগৰাকীয়েও প্ৰহৰীক চিনি পালে আৰু হাত-বাউল দি তাক মাতিলে।

একেলৰে প্ৰহৰীজন সেই মহিলাৰ ওচৰলৈ গ'ল। মহিলাই অলপো ভয় নাখাই বা অপ্ৰতিভ নহৈ প্ৰহৰীক ক'লে, "তুমি মোক ধৰিব পাৰিছা—বুলি নাভাবিবা। আচলতে—মইহে তোমাক

ধৰিবলৈ—যোৱা তিনিদিন ধৰি ইয়াত ৰৈ আছোঁ।"

"এইবোৰ বাজে কথা মই শুনিবলৈ নিবিচাৰোঁ—।" প্ৰহৰীজনে ক'লে, "তুমি কাজীৰ ঘৰৰ ধন-সোণ হীৰা-জহৰৎ লৈ পলালা কিয় ? এতিয়া—মোৰ যে মৃত্যুদণ্ড হ'ব তুমি জানানে ?"

"চোৱাঁ, কাজী ছাহাবে ঢেৰ অন্যায় কাম কৰি যিখিনি সাঁচিলে, মই সেইখিনিহে লৈ পলালোঁ। কিন্তু মই এই কাম তোমাৰ কাৰণেহে কৰিলোঁ। তোমাক যে মই কিমান ভাল পাই পেলাইছোঁ—জানানে ? এইবোৰ ধন-সোণ হীৰা-জহৰৎ সকলো তোমাৰ। তোমাক মই বিয়া কৰাম। আমাৰ কিমান ধন-সম্পদ আছে চাই যোৱা।" এই বুলি কৈ মহিলাই প্ৰহৰীজনক ধন-সম্পদখিনি দেখুৱালে।

দেখি প্ৰহৰীজনৰ চকু ঢেলুকা-ঢেলুক হৈ গ'ল। সি মহিলাক ক'লে, "তুমি যে বিয়াৰ কথা কৈছা—ভালেই পাইছোঁ মই। পিছে—কাজী ছাহাবে মোক মৃত্যুদণ্ড নিদিয়াকৈ নেৰে। কিয়নো—তেওঁৰ মতে, চুৰি কৰা আৰু চুৰুণীক সহায় কৰাটো একেইবিধৰ অপৰাধ।"

"এই কথাত তুমি চিন্তা নকৰিবা। মই কাজীকহে অপৰাধী সাব্যস্ত কৰিম।"

এই বুলি কৈ, মহিলাই প্ৰহৰীক ফুচ-ফুচাই বহুতো কিবাকিবি ক'লে।

মহিলাৰ কথা শুনি প্ৰহৰীয়ে হাঁহি থাকিল। তাৰ পাছত সি কতোৱালৰ ওচৰলৈ গ'ল। সি কতোৱালক ক'লেগৈ, "চাওক, মোৰ ধাৰণা সেই মহিলাগৰাকী এতিয়ালৈকে৷ আমাৰ কাজী ছাহাবৰ ঘৰত আছে। আপুনি অনুমতি দিয়ে যদি—মই কাজী ছাহাবৰ ঘৰৰপৰা তেওঁক বিচাৰি উলিয়াব পাৰিম বুলি ধাৰণা হৈছে মোৰ; কিয়নো—নগৰৰ আন ক'তো সেই মহিলা নাই।"

প্ৰহৰীজনক লগত লৈ কতোৱাল গ'ল

"ওঁ, ওঁ—হয়—হয়—" কাজীয়ে কৈ উঠিল, "এই পোছাক পিন্ধা অৱস্থাতে তাই ইয়ালৈ আহিছিল।"

প্ৰহৰীয়ে তৎক্ষণাৎ কতোৱালক দেখুৱালে পোছাকত লাগি থকা তেজৰ দাগ। মহিলাৰ পোছাকত তেজৰ দাগ দেখা পাই কতোৱাল আৰু কাজী ছাহাব হতবাক হ'ল। কেইমুহূৰ্তমান কোনেও মাত-বোল কৰিব নোৱৰা হৈ পৰিল।

কতোৱাল ডাবি মাৰি কোৱাৰ দৰে কাজী ছাহাবক ক'লে, "আপুনি সেই-জনীক মাৰি পেলালে কিয়?"

"মই—মাৰি পেলালোঁ!" কাজী ছাহাবে বিমূঢ় হৈ ক'লে, "মই—মই এটা জঘন্য হত্যাকাৰী বুলিহে তোমালোকে ক'ব খুজিছানে কি!"

কাজী ছাহাবৰ অৱস্থা গমি কতোৱালে কোমল কাটি ক'লে, "আপুনি ইমান দমি নাযাব। এই হত্যা আপোনাৰ ঘৰৰ আন কোনোবা-কুনুবিয়েও তো কৰিব পাৰে। আপোনাৰ যাতে একো দিগদাৰি নহয় তাৰ বন্দৰস্ত মই কৰিম বাৰু।" তাৰ পাছত কতোৱালে প্ৰহৰী-জনক ক'লে, "শুনা, এইবোৰ কথা তুমি কাকো নক'বা, মোৰ আদেশ।"

"আপোনাৰ আদেশ মই আখৰে

কাজী ছাহাবৰ ঘৰলৈ। কতোৱালৰ কথা শুনি কাজী ছাহাব অবাক-হতবাক। তেওঁৰ উগ্ৰ খং উঠিল, যদিও মনৰ খং মুখেৰে প্ৰকাশ নকৰি তেওঁ কতোৱাল আৰু প্ৰহৰীক তেওঁৰ ঘৰ অনুসন্ধান কৰি তন্ন তন্নকৈ চাবলৈ ক'লে।

কাজীৰ ঘৰত সোমাই প্ৰহৰীয়ে তন্ন তন্নকৈ প্ৰতিটো কোঠাত অনুসন্ধান কৰি অৱশেষত এঠাইত সেই মহিলাৰ পোছাক বিচাৰি পালে। কতোৱালে কাজীক সেই পোছাকযোৰ দেখুৱাই সুধিলে, "এই হালধীয়া পোছাকযোৰ বাৰু সেই অতি কৌশলী জেনানাগৰাকীৰনে কি?"

আখৰে পালন কৰিম, হুজুৰ!" প্ৰহৰীয়ে কতোৱালক ক'লে।

তাৰ পাছত কতোৱালে সেই মহিলাক বিচাৰি ওলাল। চুৰুণী মহিলাৰ এই তীক্ষ্ণ বুদ্ধিক কতোৱালে নশলাগি নোৱাৰিলে। তাই যে কেৱল কাজীৰ ধন-সোণ লৈ গ'ল, কথা সিমানেই নহয়। আগতীয়াকৈ ভাবি-গুণি নিপুণভাৱে কাজীক হত্যাকাৰী হিচাপেও সাব্যস্ত কৰি থৈ গ'ল।

কিন্তু প্ৰহৰীৰ নিৰ্দেশিত সেই ঘৰটোলৈ গৈ তাত কাকো বিচাৰি নাপাই দুয়ো হতাশ হ'ল। চুবুৰীয়া এজনে ক'লে, "এই ঘৰটোৰ আচল গৰাকীহঁত ইয়াত নাথাকে। হঠাৎ তিনি-চাৰিদিনৰ আগতে এগৰাকী মহিলা আহিছিল, আছিলহি। এয়া—অলপ সময়ৰ আগতে মহিলাগৰাকী ইয়াৰপৰা গুচি গ'ল।"

এই ঘটনাৰ পাছত প্ৰহৰীজনৰ মনত বিৰাট হতাশা তথা আলোড়নৰ সৃষ্টি হ'ল। সি অসুস্থ হৈ পৰিল। সি চেৰা-বলিয়াহেন হৈ পৰিল।

এই কাহিনী কোৱাৰ অন্তত প্ৰহৰীয়ে গাঁওবাসীসকলক ক'লে, "এইদৰে এগৰাকী মহিলাক সহায় কৰাৰ ফল এনেকুৱা হ'ব বুলি ভবা নাছিলোঁ। মোৰ দোষত কাজী ছাহাবৰ ধন গ'ল মান গ'ল। এই সকলো কথা-কাণ্ডত গুৰিত আছিল মোৰ দুৰাশা আৰু নিৰ্বুদ্ধিতা। মোৰ দৰে নিৰ্বোধ এটা দুনীয়াত জীয়াই থকাৰ অযোগ্য। দুনীয়াখনক উপভোগ কৰিবলৈ হ'লে অলপ বুদ্ধি লাগে। আপোনালোকে বা কি কয়—?"

তাৰ কথা শুনি গাঁওবাসীৰ মনত তাৰ প্ৰতি পুতৌ উপিজল। তেওঁলোকে তাক সান্ত্বনা দিলে আৰু সেইখন গাঁৱতে পঁজা ঘৰ এটা সাজি দি তাৰ থকা-মেলাৰো বন্দৱস্ত কৰি দিলে।

বিষাক্ত বিশ্বাস

শ্ৰীপুৰৰ বেপাৰী সমুদ্ৰগুপ্ত আৰু ধনগুপ্তই দেশ-বিদেশত বেহা-বেপাৰ কৰিছিল। এবাৰ বেহা-বেপাৰৰ অন্তত জাহাজেৰে শ্ৰীপুৰলৈ উভতি আহোঁতে ধনগুপ্তই সমুদ্ৰগুপ্তক দুটা প্ৰকাণ্ড হীৰা দেখুৱাই ক'লে, "বহু ধন ব্যয় কৰি এই হীৰা দুটা কিনিলোঁ। কিন্তু এই হীৰা কিনি অনাৰ পাছৰে-পৰাই মোৰ মনত সাগৰদস্যুইতৰ ভয় সোমাইছে। হঠাৎ যদি সিহঁতে আক্ৰমণ কৰেহি, আৰু যদি এই হীৰা দুটা কাঢ়ি নিয়ে, মই ফকীৰ হৈ যাম।"

সমুদ্ৰগুপ্তই ধনগুপ্তক হীৰা দুটা কঁকালত বান্ধি থ'বলৈ ক'লে। পাছদিনা সঁচাসঁচিকৈ সাগৰ-দস্যুইতে জাহাজ আক্ৰমণ কৰিলেহি। ডকাইতইতৰ চৰ্দাৰে ধনগুপ্ত আৰু সমুদ্ৰগুপ্তক ক'লে, "চোৱাঁ, মোক মিছা কথা কৈছা যদি—একদম খতম্ কৰি দিম। সকলো বস্তু তুৰন্তে দিয়া।"

সমুদ্ৰগুপ্ত আৰু ধনগুপ্তই সকলো বস্তু-সামগ্ৰী দিয়াৰ পাছত ডকাইত-চৰ্দাৰে পুনৰ ক'লে, "সকলো বস্তু ঠিক ঠিককৈ দিলানে?" সমুদ্ৰগুপ্তই ধনগুপ্তক ক'লে, "ধনগুপ্ত তোমাৰ কঁকালত থকা হীৰা দুটা দিয়া। প্ৰাণতকৈ হীৰা মূল্যৱান নহয়।"

নিৰুপায় ধনগুপ্তই হীৰা দুটা দস্যুচৰ্দাৰক দিলে। ডকাইতইত গুচি যোৱাৰ পাছত ধনগুপ্তই খঙতে অগ্নিশৰ্মা হেন হৈ সমুদ্ৰগুপ্তক ককৰ্থনা কৰি ক'লে, "তুমি এই বিশ্বাসঘাতকতা কৰিলা কিয়?"

সমুদ্ৰগুপ্তই নিজৰ কঁকালপৰা পঁচিছ টুকুৰা হীৰা উলিয়াই আনি ক'লে, "এই হীৰা পঁচিছ টুকুৰা তোমাৰ দুটুকুৰা হীৰাৰ তুলনাত ঢেৰ বেছি মূল্যৱান। মই তোমাৰ দুটুকুৰাৰ সলনি চাৰি টুকুৰা হীৰা দিম। মই দস্যুচৰ্দাৰৰ আগত তেনেকৈ নোকোৱাহেঁতেন সি নিশ্চয় তোমাৰ হীৰা দুটুকুৰা আৰু তাৰ পাছত মোৰ কঁকালত থকা হীৰা পঁচিছ টুকুৰাও কাঢ়ি ল'লেহেঁতেন। মই তেনেকৈ কোৱাত—মোৰ কঁকালতো যে ইমানবোৰ হীৰা আছে—সি ভাবিবই পৰা নাই। এতিয়া তুমিয়েই কোৱাঁ, মই বিশ্বাসঘাতকনে বিশ্বস্ত বন্ধু? নে তোমাৰ বিশ্বাস বিষাক্ত?"

সমুদ্ৰগুপ্তৰ কথা শুনি ধনগুপ্ত লাজতে তলমূৰ হৈ মনে মনে থাকিল।



শিৱ-পুৰাণ

১

সৃষ্টিৰ পূৰ্বতে সমগ্ৰ বিশ্ব আছিল জলময়। গছ-গছনি নাইবা আন কোনোবিধৰ উৰি আপ্ৰাণীৰো অস্তিত্ব নাছিল। সমগ্ৰ বিশ্ব আছিল নিমজ অন্ধকাৰ। বহু কালৰ অন্তত জলময় বিশ্বৰপৰা উদিত হ'ল মহাতেজময় ৰশ্মি। কালক্ৰমে সেই মহাতেজ জ্যোতিঃ জ্যোতিৰ্লিংগলৈ পৰিণত হ'ল। সেই লিংগ হ'ল পৰমেশ্বৰ বা শিৱ। জ্যোতিলিংগৰপৰা মহাশক্তি উদ্ভূত হ'ল।

কালক্ৰমে পৰমেশ্বৰ আৰু পৰমেশ্বৰীয়ে যৌথভাৱে মহাবিষ্ণু সৃষ্টি কৰিলে। মহাবিষ্ণুৰ নাভিমূলৰপৰা সৃষ্ট হ'ল মহাপদ্ম। সেই পদ্ম আছিল বহু সহস্ৰ যোজন উচ্চতাবিশিষ্ট এক আশ্চৰ্য্য মহিমময় পদ্ম। সেই পদ্মৰ পঞ্চমুখৰপৰা ব্ৰহ্মাৰ আৱিৰ্ভাৱ ঘটিল। ব্ৰহ্মাৰ লগে লগে আবিৰ্ভূতা হ'ল সৰস্বতী।

সমগ্ৰ বিশ্বক জলমগ্ন দেখি ব্ৰহ্মাই চিন্তিলে: মই য'ত উপজিছোঁ, সেই পদ্মৰপৰা উৰ্ধলোক আৰু অধঃলোকৰ দূৰত্ব কিমান জনা আৱশ্যক। —এই কথা ভাবি ব্ৰহ্মাই বহুবাৰ পদ্মৰপৰা ওচৰলৈ আৰু তললৈ ঘূৰা-ফুৰা কৰি পুনৰ পদ্মৰ মাজতে উভতি আহিল। তাৰ পাছত ব্ৰহ্মাই ওঁকাৰনাম জপ কৰিবলৈ ধৰিলে। এই নাম জপ কৰাৰ ফলত বিষ্ণু ব্ৰহ্মাৰ সমুখৱৰ্তী হ'ল। ব্ৰহ্মাই নিজক প্ৰথম সৃষ্ট পুৰুষ হিচাপে ভাবি

'দক্ষ-যজ্ঞ'

লৈ বিষ্ণুলৈ তুচ্ছতা প্ৰদৰ্শন কৰি ক'লে, "তুমি কোনহে ? তোমাক কি লাগে ?"

"সৃষ্টিৰ প্ৰয়োজনত তোমাক মই মোৰ নাভিমূলৰ পদ্মৰপৰা সৃষ্টি কৰিছোঁ। মই বিষ্ণু।" বিষ্ণুৱে ব্ৰহ্মাক ক'লে।

ব্ৰহ্মা আছিল যথেষ্ট অহংকাৰী। তেওঁ বিষ্ণুক ক'লে, "এইবোৰ কথা আকৌ কৈছা যদি—তোমাৰ বিৰুদ্ধে মই যুদ্ধ কৰিবলৈ বাধ্য হ'ম। মই বিশ্বৰ স্ৰষ্টা।"

ব্ৰহ্মাৰ কথাৰ উত্তৰ নিদিয়াকৈ বিষ্ণু পৰমেশ্বৰৰ ধ্যানত মগ্ন হৈ পৰিল। জ্বালালিংগৰ ৰূপ ধাৰণ কৰি পৰমেশ্বৰ ব্ৰহ্মা আৰু বিষ্ণুৰ মাজত থিয় হ'লহি।

তেতিয়া বিষ্ণুৱে ব্ৰহ্মাক ক'লে, "এই লিংগৰ আদি আৰু অন্ত যিজনে আৱিষ্কাৰ কৰিব পাৰিব—তেৱেঁই হ'ব আমাৰ মাজত শ্ৰেষ্ঠ তথা ডাঙৰ। তুমি সন্মতনে ?"

ব্ৰহ্মা সন্মত হ'ল। কিন্তু জ্বালালিংগৰ আদি-অন্ত আৱিষ্কাৰ কৰোঁতে দুয়ো ব্যৰ্থ হ'ল। তাৰ পাছত দুয়ো পৰমেশ্বৰৰ ওচৰলৈ প্ৰাৰ্থনা কৰিলে।

তেওঁলোকৰ প্ৰাৰ্থনাত তুষ্ট হৈ পৰমেশ্বৰে ব্ৰহ্মাক ক'লে, "তুমি পঞ্চভূত সমন্বিত বিশ্বৰ স্ৰষ্টা হিচাপে বিষ্ণুৰ নাভিকমল অৰ্থাৎ নাভিপদ্মৰপৰা সৃষ্ট হৈছা। সৃষ্টি কৰি থকা হ'ল তোমাৰ একমাত্ৰ কৰ্তব্য।"

ব্ৰহ্মাই পৰমেশ্বৰৰ পিনে চাই ক'লে, "তুমি কোন ? মোৰ দৰে তোমাৰো পাঁচখন মুখ দেখা পাইছোঁ। মই যিহেতু সৃষ্টিকৰ্তা, মোৰ পঞ্চমুখ অস্বাভাৱিক নহয় ; কিন্তু তুমিনো কোন ?"

এই কথা শুনি পৰমেশ্বৰে ৰুদ্ৰাৱতাৰ ধাৰণ কৰি, নিজৰ বাঁওহাতৰ কেঞা আঙুলিৰ নখক তৰোৱালৰ দৰে প্ৰয়োগ কৰি ব্ৰহ্মাৰ এখন মুখ কাটি পেলালে। পাছ মুহূৰ্তৰেপৰাই ব্ৰহ্মাৰ অহংকাৰ লুপ্ত হ'ল। ব্ৰহ্মাই তেওঁক ৰক্ষা কৰিবলৈ পৰমেশ্বৰৰ ওচৰত কাতৰ প্ৰাৰ্থনা জনালে।

পৰমেশ্বৰে শান্ত কণ্ঠেৰে ব্ৰহ্মাক ক'লে,

"ব্ৰহ্মা, সৃষ্টিৰ বাবে তোমাৰ আৰু সৃষ্টিক ৰক্ষা কৰিবলৈ বিষ্ণুৰ আবিৰ্ভাৱ। মোৰ কাৰ্য্য হ'ল ধ্বংস, লয়। মোক কোনোবাই শিৱ, কোনোবাই ৰুদ্ৰ, আকৌ কোনোবাই ঈশ্বৰৰূপেও অভিহিত কৰে।" এই বুলি কৈ তেওঁ অদৃশ্য হ'ল।

তাৰ পাছত ব্ৰহ্মাই বিষ্ণুৰপৰা বেদ গ্ৰন্থাদি লৈ পদ্মাসনত বহি ওঙ্কাৰ জপ কৰি থাকিল। ব্ৰহ্মাই ওঙ্কাৰ জপ কৰি থাকোঁতে পানীৰ ওপৰত এটা কণী ভাহি ভাহি আহি থাকিল। ব্ৰহ্মাই বিস্মিত দৃষ্টিৰে সেই কণী লৈ চাই থাকিল। সেই মুহূৰ্ত্ততে কণীৰপৰা এক বিচিত্ৰ ধ্বনি উঠিল। যিটো বিন্ধাৰপৰা সেই ধ্বনি ওলাল ব্ৰহ্মাই সেই বিন্ধাৰ মাজেদি কণীৰ ভিতৰত অনুপ্ৰবিষ্ট হ'ল। কণীৰ ভিতৰত আছিল নিমজ অন্ধকাৰ। ব্ৰহ্মাই নিজৰ দেহৰ অয়তন বৃদ্ধি কৰি চতুৰ্মুখ ৰূপে পুনৰ আবিৰ্ভূত হ'ল। সেই কণীৰপৰা ব্ৰহ্মা ওলাই আহোঁতে কণীৰ তলৰ ভাগ ভূমি আৰু ওপৰৰ ভাগ আকাশ হৈ গ'ল। আৰু লগে লগে পানীও শুকাই গ'ল।

এই দৃশ্য দেখি, ব্ৰহ্মাই আনন্দিত মনেৰে বিভিন্ন প্ৰাণীৰ সৃষ্টি কৰিলে। ব্ৰহ্মাই কোন প্ৰথমে সৃষ্টি কৰা প্ৰাণীসকল সৃষ্টিকামী নাছিল। সেই প্ৰাণীসকলে পৰমেশ্বৰৰ তপস্যা কৰি পুনৰ পৰমেশ্বৰতে লীন হৈ গ'ল। এই কথালৈ মন কৰি ব্ৰহ্মাই দুখ পালে। তেওঁৰ চকুৰপৰা পানী ওলাই আহি ভূমিত পৰিল। ব্ৰহ্মাৰ চকুৰপানী ভূমিত পৰাৰ লগে লগে মহা-তেজা শিৱৰ আবিৰ্ভাৱ ঘটিল। ব্ৰহ্মাই বিস্মিত হৈ সুধিলে, "তুমি কোন?"

"মই শিৱ। মই ৰুদ্ৰ।"

ঠিক তেতিয়াই বিষ্ণুৱে তাত আবিৰ্ভূত হৈ ব্ৰহ্মাক ক'লে, "ব্ৰহ্মা, তুমি সৃষ্টিকাৰী, আৰু মই হ'লোঁ পালনকাৰী আৰু শিৱ-ৰূপী পৰমেশ্বৰ হ'ল লয়কাৰী।"

ব্ৰহ্মাৰ কাৰণে সত্যলোক, বিষ্ণুৰ

কাৰণে বৈকুণ্ঠলোক আৰু শিৱৰ কাৰণে কৈলাস বাসস্থান হিচাপে চিহ্নিত হ'ল। ব্ৰহ্মাই তংক্ষণাৎ মাৰীচ, কশ্যপ, দক্ষ, গৌতম ,বশিষ্ঠ, কৰ্দম প্ৰমুখক সৃষ্টি কৰিলে।

এই নজনৰ মাজত দক্ষৰ চৌষষ্ঠিজনী ছোৱালী আছিল। সেই ছোৱালীসকলৰ মাজত অদিতিৰে সৈতে দহজনীক কশ্যপে বিবাহ কৰালে। তেওঁলোকৰ বহু সংখ্যক সন্তান উপজিল। এই সন্তানসকলৰ মাজত ইন্দ্ৰ প্ৰমুখ দেৱতাসকল অন্যতম। দিতিৰ গৰ্ভত বহু সংখ্যক দৈত্য উপজিল। বিনতাৰ গৰ্ভত উপজিল গৰুড় আৰু অস্মুৰ। কদ্ৰৱৰ গৰ্ভত অসংখ্য সৰ্প আৰু শ্বসকৰ গৰ্ভত উপজিল ৰাক্ষস।

শিৱক বিবাহ কৰাবলৈ দক্ষৰ সন্তান-ৰূপে মহেশ্বৰীয়ে জন্ম ল'লে। তেওঁৰ আন এক নাম হ'ল সতী। শিৱৰ সৈতে তেওঁৰ বিবাহৰ কালত ব্ৰহ্মা, বিষ্ণু'ইন্দ্ৰ আদি দেৱতাসকলে শিৱক সহায় কৰিছিল।

এই বিবাহৰ কিছুকালৰ অন্তত প্ৰয়াগ নগৰত ধুমধামৰে সৈতে ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ আৰু ইন্দ্ৰ প্ৰমুখ দেৱতাসকলৰ যজ্ঞ আৰম্ভ হ'ল।

যজ্ঞথলীলৈ অহা ঋষি-মুনিসকলক যথা-যোগ্য মৰ্য্যাদাৰে আদৰা হ'ল। অলপ পাছত সশিষ্য দক্ষ উপস্থিত হ'লহি। দক্ষৰ দেখা পাই তাত উপস্থিত থকা সকলোটিয়ে দণ্ডায়মান হৈ দক্ষলৈ সন্মান জ্ঞাপন কৰিলে। কিন্তু শিৱ দণ্ডায়মান নহ'ল। দক্ষই ব্ৰহ্মা আৰু বিষ্ণুক নমস্কাৰ জ্ঞাপন কৰিলে। শিৱই কিন্তু দক্ষলৈ ঘূৰিও নাচালে। এই কথাত ঘোৰ অপমান পাই দক্ষই সমৱেত যজ্ঞাৰ্থীমণ্ডলীক ক'লে, "আপোনালোকে প্ৰত্যেকেই যেতিয়া মোক যথাযোগ্য সন্মান জ্ঞাপন কৰিছে, তেতিয়া স্বয়ং ঈশ্বৰ মোৰ জোঁৱাই হোৱা সত্বেও মোৰ প্ৰতি ঘূৰিও নোচোৱা হ'ল। কাক কেনেকৈ সন্মান প্ৰদৰ্শন কৰিব লাগে—সেইকণ বোধবুদ্ধিও তাৰ নাই।

এনে অৱস্থাত মই ইয়াত আৰু মুহূৰ্তমানো নাথাকোঁ।" এই বুলি কৈয়েই দক্ষই উভতি যাবলৈ খোজ ল'লে।

ব্ৰহ্মা আৰু বিষ্ণুৱে দক্ষক ক'লে, "তেওঁ হ'ল ঈশ্বৰ, আমাৰ পৰমেশ্বৰ। তেওঁক এনেকৈ অপমান নকৰিব।"

নন্দীয়ে খঙতে দক্ষক অভিসম্পাত দিলে, "তুমি শিৱক অপমান কৰিছা, তোমাৰ মস্তক ছিন্ন হৈ হোমাগ্নিত পৰক।"

লগে লগে দক্ষয়ো অভিশাপ দিলে, "তোমালোক—ৰুদ্ৰহঁতে চিৰকাল বেদ বহন কৰিবা, তোমালোকৰ আচাৰ-বিচাৰ নাথাকিব, তোমালোকে গাত ভস্ম সানিবা, আৰু পাষণ্ড হিচাপে তোমালোকৰ দুৰ্যশ হ'ব, দুৰ্নাম ভুঞ্জিবা।"

যজ্ঞান্তত শিৱই ৰুদ্ৰগণৰে সৈতে কৈলাসলৈ উভতিল আৰু দক্ষয়ো ভৃগু প্ৰমুখ ঋষিসকলক লৈ উভতি গ'ল।

উভতি গ'ল; কিন্তু মনত তেওঁৰ শান্তি উভতি নাহিল। কিছুদিনৰ পাছত দক্ষয়ো বিৰাট আয়োজন কৰি এখন যজ্ঞ পাতিলে। এই যজ্ঞত যোগদান কৰিবলৈ তেওঁ জগতৰ অসংখ্য মান্য-গণ্য দেৱ-ঋষিগণলৈ আমন্ত্ৰণ জ্ঞাপন কৰিলে; কিন্তু শিৱ আমন্ত্ৰিত নহ'ল। দক্ষই পতা যজ্ঞৰ নাম হ'ল বৃহস্পতি-যজ্ঞ। যজ্ঞস্থললৈ

অহাসকলক দক্ষই অতি সন্মানেৰে আগবঢ়াই আদৰিলে। খাৰুদ, পিতৃগণ, অপ্সৰা, গন্ধৰ্ব সিদ্ধা, বিদ্যাধৰ, বিশ্বৰ, কশ্যপ, অগস্ত্য, অত্ৰী, ভৃগু, মাৰীচ, নাৰদ, পৰাশৰ প্ৰমুখ মহাঋষিসকল এই যজ্ঞলৈ আমন্ত্ৰিত হৈছিল। এওঁলোকৰ চোৱা-মেলাৰ দায়িত্ব লাভ কৰিলে বিশ্বকৰ্মাই।

দক্ষ যজ্ঞই দীক্ষা গ্ৰহণ কৰি সস্ত্ৰীক যজ্ঞাসনত উপবেশন কৰিলে। দক্ষই চাৰিওফালে ঘূৰি ঘূৰি চালে। জোঁৱায়েক শিৱ তাত উপস্থিত নাই। আৰু দক্ষৰপৰা আমন্ত্ৰণ পায়ো ব্ৰহ্মা, বিষ্ণু নাহিল। দক্ষই ভাবিলে ঃ নাহিল যদি নাহক।

"হে দক্ষ, শিৱহীন যজ্ঞ কেতিয়াও ফলৱতী নহ'ব। শিৱলৈ আমন্ত্ৰণ জ্ঞাপন নকৰি তুমি নিজেই তোমাৰ বিপদ চপাই ল'লা। তোমাৰ এই আচৰণত আমি ক্ষুব্ধ। তোমাৰ এই অহংকাৰে তোমাৰ পতন সূচাব।" এই বুলি কৈ, বামদেৱ, মাৰীচ গৌতম প্ৰমুখ ঋষিসকল গুচি গ'ল।

তেওঁলোক গুচি যোৱাৰ পাছত দক্ষই ক'লে, "গুচি যোৱাহঁত হ'ল পাষণ্ড, শঠ। সিহঁত গুচি গ'ল, যজ্ঞস্থল অধিক পৱিত্ৰ হ'ল। সিহঁতৰ বাবে আপোনালোক চিন্তিত নহ'ব। যজ্ঞ সুসম্পন্ন নোহোৱালৈকে আপোনালোকে শান্ত চিত্তৰে ইয়াত থাকক।"

হঠাৎ যজ্ঞ যেতিয়া আৰম্ভ হওঁ হওঁ হ'ল, তেতিয়া, মাৰীচ, দধীচি, ভৃগু প্ৰমুখ্যে ঋষিসকলে উত্তেজিত কণ্ঠেৰে কৈ উঠিল, "হেৰা দক্ষ, যজ্ঞস্থলত সতীদেৱী নাই কিয়? শিৱ নাই কিয়? কিয় তেওঁলোক নাহিল?"

তেওঁলোকৰ প্ৰশ্নৰ উত্তৰত দক্ষই ক্ৰুদ্ধ কণ্ঠেৰে ক'লে, "শিৱ হ'ল দায়িত্বজ্ঞানহীন, সি শ্মশানবাসী, সি অপৱিত্ৰ। সি ভূত-প্ৰেতৰ সৈতে থাকিবলৈ ভাল পায়। মই সেই অপৱিত্ৰটোক আমন্ত্ৰণ জ্ঞাপন কৰা নাই।"

দধীচিয়ে শিৱনিন্দা শ্ৰৱণ কৰি ক'লে,

ইপিনে—কৈলাসত সতী শিৱৰ সৈতে বৰ সুখতে আছিল। এদিন সতীয়ে তেওঁৰ সখিহঁতৰ সৈতে উদ্যানত ভ্ৰমি ফুৰোঁতে আকাশপথেদি ভালেমান বিমান (ৰথ) উৰি যোৱা দেখি কৌতূহলী হৈ উঠিল। তেতিয়া তেওঁ তেওঁৰ পিতৃ দক্ষই পতা যজ্ঞৰ কথা শুনিলে।

এই কথা শুনি, পিতৃ-আয়োজিত যজ্ঞত যোগদান কৰাৰ ইচ্ছা হ'ল সতীৰ মনত। সতীদেৱীয়ে শিৱক ক'লেগৈ, "মোৰ দেউতাই হেনো যজ্ঞানুষ্ঠান কৰিছে। দেৱগণে বিমানত উঠি যজ্ঞস্থললৈ গৈ

আছে। আমিও ৰুদ্ৰসকলৰে সৈতে তালৈ যাওঁ ব'লা।"

এই কথা শুনি শিৱই সতীক ক'লে, "সতী, তেওঁ যে আমাৰ ওপৰত ক্ৰুদ্ধ হৈ আছে, তুমি নিশ্চয় জানা। তেওঁ ক্ৰুদ্ধ হৈ থকাতহে আমাক নিমন্ত্ৰণো নকৰিলে। বিনা নিমন্ত্ৰণেৰে তালৈ যোৱাটো উচিত নহ'ব। এনে অৱস্থাতে তালৈ গ'লে আমি অপমানিত হ'ম। আৰু—আমি অপমানিত হওঁ যদি—তাৰ ফল হ'ব অতি সুদূৰপ্ৰসাৰী।"

"বাৰু, তুমি নোযোৱা যদি নাযাবা। মই অকলেই যাওঁ তেন্তে। মোৰ দেউতাই মোকেই অপমান কৰিবনে? নকৰে। দেউতাই চাগৈ আমাক নিমন্ত্ৰণ কৰিবলৈ পাহৰি থাকিল। মই তালৈ গৈয়েই তোমাক নিমন্ত্ৰণ কৰি নিবলৈ ক'ম দেউতাক। এতিয়া, নন্দীশ্বৰক যদি মোৰ সৈতে যাবলৈ কোৱাঁ, বৰ ভাল পাম।"

সতীদেৱীয়ে শিৱক এইদৰে ক'লে।

"সতী, তোমাক এৰি মই যে মুহূৰ্তমানৰ বাবেও অসহায় হৈ পৰোঁ, জানাই। মোক ইয়াত এৰি থৈ তুমি যজ্ঞস্থললৈ যাবা—যাবা যদি যোৱাগৈ। পিছে—তাত যে তুমি অপমানিত হ'বা সেই কথা ধ্ৰুৱ। তোমাক অপমান কৰিলে কথা কিন্তু ভয়ানক হ'ব। যাবাই যদি—ভূত-ভবিষ্যৎ ভাবি-গুণি তালৈ যোৱাঁ।" শিৱই সতীদেৱীক সকলো কথা বুজাই ক'লে।

কিন্তু শিৱৰ কথাৰ তাৎপৰ্য্য সতীদেৱীয়ে অনুধাৰন কৰিব নোৱাৰিলে। তেওঁৰ মন-প্ৰাণ তেতিয়া পিতৃ-সন্দৰ্শনৰ বাবে আপ্লুত। সেই আপ্লুত মন-প্ৰাণ তেতিয়া দুশ্চিন্তাবিহীন।

অগত্যা শিৱে বাধ্যত পৰি ৰুদ্ৰগণৰে সৈতে সতীদেৱীক দক্ষ-আয়োজিত যজ্ঞথলীলৈ প্ৰেৰণ কৰিলে।

সিদ্ধিৰ বিপত্তি

মহাদেৱ নামৰ এগৰাকী পণ্ডিতে এখন টোল পাতিছিল। তেওঁৰ এই টোলত বৃষভ নামৰ এজন শিষ্য আছিল। বৃষভে যিকোনো কাম কৰোঁতে বৰ খৰখেদা লগাইছিল। কেৱল কাম নহয়, অধ্যয়নো সি খৰধৰকৈ কৰিছিল। এদিনতে শাস্ত্ৰৰ সাৰ কথা জানি লৈ সহপাঠীসকলক বিস্মিত কৰাৰ মন আছিল তাৰ।

মহাদেৱশাস্ত্ৰীৰ ওচৰত ভালেমান সাঁচিপাতৰ পুথি আছিল। এইবিলাকত নিশ্চয় মন্ত্ৰ-তন্ত্ৰ লিখা আছে বুলি সকলোৱে ভাবিছিল। এই পুথি নপঢ়িবলৈ মহাদেৱ পণ্ডিতে সকলোকে হাক দিছিল। গুৰুৰ হাকবচন আন সকলোটিয়ে মানি ল'লে, কিন্তু বৃষভে মানি ল'ব নোৱাৰিলে।

এদিন মহাদেৱশাস্ত্ৰী ৰাজধানীলৈ যাবলগীয়া হ'ল। ৰাজধানীৰপৰা উভতি আহোঁতো সাতদিনমান লাগিব বুলি কৈ তেওঁ ওলাল। মহাদেৱশাস্ত্ৰী ৰাজধানীলৈ যোৱাৰ নিশাতে, আন সকলোটি টোপনিত লাল-কাল দিয়াৰ পাছত, সাঁচিপাতৰ পুঁথি খুলি বৃষভে এফাকি মন্ত্ৰ মুখস্থ কৰি পেলালে। এই মন্ত্ৰফাকি উচ্চাৰণ কৰাজনে মুহূৰ্ততে যিকোনো জন্তু-জানোৱাৰৰ বা চৰাই-চিৰিকতিৰো ৰূপ ল'ব পাৰিব। মন্ত্ৰফাকি মুখস্থ কৰাৰ পাছত, বৃষভে সেই পুঁথিখন যথাস্থানত থৈ দিলে।

পাছদিনাৰেপৰাই বৃষভ অহংকাৰী হৈ উঠিল। সি নিজক যিকোনো মানুহতকৈ অধিক জ্ঞানৱন্ত বুলি ভাবিবলৈ ধৰিলে।

পাছদিন, পণ্ডিতৰ অন্যান্য শিষ্যহঁত বনৰপৰা খৰি বুটলি আনিবলৈ গ'ল।

হলিৰাম তামুলী

তৎক্ষণাৎ সেই মন্ত্রফাকি আওৰাই, চকুৰ পচাৰতে বৃষভ বপুৰাই মানুহ গুচি এটা নোদোকা বলদ হৈ পৰিল আৰু তাৰ লগৰীয়াহঁত আতংকিত দৃষ্টিৰে বলদৰূপী বৃষভলৈ চাই থাকিল।

এই ঘটনাৰ পাছত হঠাৎ বাঘৰ গিৰ্জনি শুনা গ'ল। বনত থকা অসংখ্য জন্তুৱে লৰাধপৰা লগাই দিলে। বৃষভৰ লগৰীয়াহঁতৰ কিছুমানে ফেটী সাপৰ মূৰ ছিঙা লৰ দি পলাল, কিছুমানে ওখ গছ বগাই ওপৰলৈ উঠিল। কিন্তু বৃষভে যে কিমান আৰু কেনেকুৱা ভুল কৰিলে—তেতিয়াহে বুজি পালে। মন্ত্ৰ মাতি ৰূপ সলোৱাৰ কিটিপ শিকি ল'লে সি; কিন্তু পুনৰ মানুহৰ ৰূপ ল'বলৈ তো নাজনিলে। এতিয়া কি হ'ব! সকলোটি প্ৰাণ লৈ পলাল। কিন্তু সি বলদৰূপী বৃষভ তাতে থিয় হৈ থাকিল।

এনেতে বন ফালি বাঘ ওলাল। তেতিয়া বলদৰূপী বৃষভে মৰোঁ-জীওঁকৈ দৌৰি এখন গাঁৰত সোমালগৈ।

অলপ পাছত বৃষভৰ বৰ ভোক লাগিল। তাক যে এতিয়া আৰু কোনেও ভাত-দালি-আঞ্জা খাবলৈ নিদিয়ে সেই কথা সি বুজি পোৱা হ'ল। কিন্তু কেনেকৈ আৰু কী যে খাব তাকেহে বুজি নাপালে।

বৃষভো গ'ল সিহঁতৰ লগত। ইকথা-সিকথাৰ পাছত বৃষভে তাৰ এই মন্ত্ৰ জনাৰ কথাটো নকৈ নোৱাৰিলে। কিন্তু সতীৰ্থহঁতে তাৰ কথা বিশ্বাস নকৰিলে।

তেতিয়া বৃষভে দৃঢ়তাৰে ক'লে, "তোমালোকে যদি বিশ্বাস কৰা নাই, এই মুহূৰ্ততে মই তোমালোকেৰ চকুৰ আগত যিকোনো -জন্তু-জানোৱাৰ ৰূপ ধাৰণ কৰিব পাৰোঁ।" তেতিয়াও তাৰ সতীৰ্থহঁতৰ মনৰপৰা সংশয় নুগুচিল। সিহঁতৰ মাজত এজনে কৈ উঠিল, "ঠিক আছে, তোমাৰ নাম হ'ল বৃষভ। বৃষভ গুচি তুমি এটা বলদ হোৱাচোন চাওঁ।

উপায় নাপাই সি শাক-পাচলিৰ খেতিত সোমালগৈ। লগে লগে এজন মানুহে তাক লাঠি এডালেৰে মৰিয়াই আধমৰাহেন কৰি পেলালে। বহু কষ্টেৰে তাৰপৰা পলাই সি আন এখন গাঁৱলৈ গ'ল। কিন্তু তাতো ভোকৰ নিবৃত্তি হোৱা দূৰৰে কথা, তাতকৈ ঢেৰ বেছি শক্তিশালী ষাঁড় এটাই তাক আক্ৰমণ কৰি বগৰাই পেলালে। তাৰ পাছত বহু কষ্টেৰে তাৰপৰা আঁতৰ হৈ এজোপা গছৰ ছাঁত বহিলগৈ বৃষভ। বলদৰূপী বৃষভক তাত দেখা পায়েই কমলাপতি নামৰ পশুৰ বেপাৰীয়ে গমিলে যে এইটো এই গাঁৱৰ বলদ নহয়। কমলাপতিয়ে লাঠিৰে খুঁচিয়াই বৃষভক নিজৰ গোহালিলৈ লৈ গ'ল আৰু এটা খুটাৰ লগত ৰছীৰে বান্ধি থ'লে।

সিদিনা বৃষভে বাধ্যত পৰি গৰুৰ খাদ্য খাবলগীয়া হ'ল। সকলো কথা-কাণ্ডবোৰ একেবাৰে নাৰকীয় যেন লাগি গ'ল বৃষভৰ মনত।

পাছদিনা কমলাপতিয়ে বৃষভক আন এটা বলদৰ লগত এখন গাড়ীত সাঙুৰি দিলে। কিন্তু বৃষভ তো আচলতে বলদ নহয়, গতিকে সি আন বলদটোৰ সৈতে তালক তালে খোজ মিলাব নোৱাৰিলে। কমলাপতিয়ে দুই-চাৰিদিনলৈ বৃষভক শুধৰাবলৈ চেষ্টা কৰিও যেতিয়া ব্যৰ্থ



হ'ল, তেতিয়া সি বৃষভক আনৰ ওচৰত বেচি দিবলৈ যো-জা কৰি থাকিল।

গ্ৰাহক এজনে কমলাপতিক ক'লে, "খোজ মিলাব, নিমিলোৱাকৈ কেই-দিননো থাকিব সি? নাকি লগাই টিকাত মাৰিলেই যিপিনে ঘূৰাবা সিপিনে ঘূৰিব, যেনেকৈ খোজ দিবলৈ ক'বা তেনেকৈ খোজ দিব। ঠিক আছে, কালিলৈ কিনি লৈ যামহি ইয়াক।"

গ্ৰাহকজনৰ কথা শুনি বৃষভৰ মৰি যাওঁ মৰি যাওঁ যেন লাগিল। ৰাতিৰ পৰতে—সি তাৰ আটাইখিনি শক্তিৰে ৰছী ছিঙি টলংভটংকৈ খোজ কাঢ়ি টোললৈ উভতি আহিল।

ইতিমধ্যে মহাদেৱ পণ্ডিতো টোল পাইছিলহি ৰাজধানীৰপৰা। অন্যান্য শিষ্যহঁতৰপৰা তেওঁ আগতেই সকলো কথা-কাণ্ড শুনিছিল। পাছদিনা ধলপুৱাতে টোলৰ আগত বলদ এটাক দেখা পায়েই, বিশেষকৈ বলদটোৰ হুচকুৰেদি পানী পৰালৈ লক্ষ্য কৰি বলদটো যে বৃষভেই, সেই কথাত তেওঁৰ একেবাৰে সন্দেহ নাথাকিল। তেওঁ তৎক্ষণাৎ মন্ত্ৰ মাতি সেই বলদটোক পুনৰ শিষ্য বৃষভলৈ ৰূপান্তৰিত কৰি দিলে।

বৃষভে তাৰ গুৰুৰ আগত কান্দি কান্দি সকলো কথা, তথা তাৰ অপৰাধৰ কথাও স্বীকাৰ কৰিলে। সি যে গুৰুৰ হাকবচন নামানি নৰকবাস কৰি আহিছে, সেই কথাও সকলোটিৰ আগত অকপটে স্বীকাৰ কৰিলে সি। গুৰু মহাদেৱশাস্ত্ৰীয়ে বৃষভক তাৰ অপৰাধৰ বাবে বেলেগে আৰু শাস্তি প্ৰদানৰ কথা, চিন্তাও নকৰিলে। কিয়নো, সি যেনেধৰণৰ জীয়াতু ইতিমধ্যেই ভুঞ্জিলে সি তাৰ পক্ষে যথেষ্ট।

এই ঘটনাৰ পাছৰপৰা বৃষভে কেতিয়াও খৰধৰকৈ সিদ্ধিলাভ কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰা নাছিল।

পশু-পক্ষীৰ কথা

ময়ূৰ

চালিধৰা ময়ূৰ বা ম'ৰা চৰাই দেখাত বৰ ধুনীয়া। নীল, সেউজ আৰু সোণোৱালী ৰঙৰ বহণ দেখা যায় ময়ূৰৰ পাখিত। ময়ূৰৰ পাখি দেখাত অপূৰ্ব-অপৰূপ হ'লে কি হ'ব—ময়ূৰৰ কণ্ঠস্বৰ কিন্তু শুনাত বেয়া, অতি কৰ্কশ।

প্ৰাচীনকালৰেপৰা—কেৱল আমাৰ দেশতে নহয়—গ্ৰিচ, চীন আদি দেশতো ময়ূৰৰ পাখিৰ যথেষ্ট আদৰ-কদৰ আছিল, আৰু আজিও আছে। বিভিন্ন বস্তু-সামগ্ৰী সজোৱাত ময়ূৰৰ পাখি ব্যৱহাৰ কৰা হয়। সম্ৰাট অৰ্গাছে তেওঁৰ পুত্ৰক ৰক্ষা কৰিবলৈ সহস্ৰচক্ষু ময়ূৰক নিযুক্ত কৰাৰ কাহিনীত গ্ৰিকসকল বিশ্বাসী আছিল। সেই কাৰণে তেওঁলোকে ময়ূৰক হীৰা চৰাই বুলি কৈছিল। চীনৰ সম্ৰাটসকলে ময়ূৰৰ পাখিৰে তৈয়াৰী বিচনী ব্যৱহাৰ কৰি ভাল পাইছিল। মোগল-আমোলত সোণ আৰু মূল্যৱান বাখৰ খটোৱা ময়ূৰ-সিংহাসন সমগ্ৰ পৃথিৱীত বিখ্যাত। ইঅ'ৰোপত শোভাবৰ্ধনৰ বাবে ময়ূৰৰ যথেষ্ট আদৰ। কিন্তু ময়ূৰ মূলতঃ ভাৰতবৰ্ষ আৰু শ্ৰীলংকাৰ চৰাই।

মাটিৰপৰা অতি অলপ ওখ ঠাইত গছৰ ডালত ময়ূৰে বাহ সাজি লয়। ময়ূৰীয়ে একেলগে ছটা কণী দিয়ে। দুবছৰ বয়সলৈকে ময়ূৰ আৰু ময়ূৰীৰ মাজত প্ৰভেদ নিৰ্ণয় কৰা টান। দুবছৰৰ পাছত ময়ূৰৰ পাখি ওলায়। চালিধৰা ময়ূৰতকৈয়ো উৰি থকা ময়ূৰ দেখাত অধিক শুৱনি। ময়ূৰ হ'ল আমাৰ জাতীয় চৰাই।

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৫ চনৰ জুন সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৫ চনৰ এপ্ৰিল মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৫ চনৰ ফেব্ৰুৱাৰি মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : বৈ যায়

দ্বিতীয় ফটো : বৈ চায়

পুৰস্কাৰ পাওঁতা : মুকুলিতা শৰ্মা, মংগলদৈ।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

[জানিবলগীয়া'ৰ উত্তৰ]

১। ছানফ্ৰান্‌ছিছ্‌ক' নগৰত, ১৯৪৫ চনৰ ২৫ মাৰ্চ তাৰিখে অনুষ্ঠিত হৈছিল। ২। পেশ্বোৱাৰ ৩। পল্লৱ ৰাজবংশ ৪। ৰজাধিপু ৫। আগ্ৰা।

Printed by B. V. REDDI at Prasad Process Private Ltd., and Published by B. VISWANATHA REDDI for CHANDAMAMA CHILDREN'S TRUST FUND (Prop. of Chandamama Publications) 188, Arcot Road, Madras-600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adopting them in any manner will be dealt with according to law.

COME HOME TO HERITAGE

APRIL ISSUE NOW ON STANDS

From the publishers of Chandamama



THE HERITAGE

It's worth preserving. Every issue of it.



Single Copy Rs. 6.00 Annual Subscription Rs. 72.00

For subscriptions **DOLTON AGENCIES,** 188 N.S.K. Salai, Vadapalani, Madras - 600 026

ৰাজুৱে ব্ৰাছ নেলোৱাকৈ ৰঙ কৰে

ৰাজু হৈছে খাম-খেয়ালী স্বভাৱৰ লৰা।

সি ৰং কৰিবলৈ ভালপায় সঁচা, পিছে ৰং কৰোতে পানীৰ বাতিৰ পৰা পানী বগৰাই পেলায়, মজিয়া নষ্ট কৰে, তাৰ হাত আৰু কাপোৰো নষ্ট কৰে।

কোননো মা'কে এনে উত্তন্দালি সহ্য কৰিব ? 'আৰু ৰং কৰিব নালাগে' তাৰ মা'কে কয়।

মোহনৰ ৰাজুৰ কাৰণে বৰ দুখ লাগিল। সি তাৰ ৰেক্স ক্ৰেয়ন আৰু অইল পেষ্টেলৰ বাকচটো দেখুৱালে। পানীৰ প্ৰয়োজন নাই। ব্ৰাছো নালাগে। ছিটিকি পৰি মজিয়া নষ্ট হোৱাৰো আশংকা নাই।

মাথো বক্সৰ পৰা পেষ্টেল বাছি লওক আৰু আঁকি যাওক। চাওক, কিমানবিধ যে ৰং।

পেৰট গ্ৰীন, লবষ্টাৰ অৰেঞ্জ, পীক'ক ব্লু, চানফ্লাৱাৰ ইয়েল' আৰু অন্যান্য বহুতো।

সেয়েহে এতিয়া ৰাজুৰ মা'কেও তাক এটা ক্ৰেয়নৰ বাকচ কিনি দিছে।

কেমেল
অইল পেষ্টেল

১২, ২৪ আৰু ৪৮ শ্বেদতো পোৱা যায়

কেমলিন
প্ৰাইভেট লিমিটেড
আৰ্ট মেটেৰিয়েল ডিভিজন,
বোম্বাই, ৪০০ ০৫৯।

কেমলিন অভঙ্গুৰ পেঞ্চিল নিৰ্মাতাৰ অৱদান

VISION 792 ASS

Results of Chandamama Camlin Colouring Contest No. 39 (Assamese)

1st Prize: Dinesh K. Gupta, Mahendra Prashad Kona, Chardmari, Gauhati 3. Partha Pratim Choudhury, Dadhara Tezpur 784 001, Partha Pratim Choudhury, C/o. K. Choudhury. Shri. Juvi Sharma, C/o. Shri. Jyotirmayee Sharma, Tupteear Printers, R.O. Barua Road, Gauhati 24. Anjal Bazbarua, C/o. Dr Sadananda Bezbarua, College Nagar, P.O. Bidyapara, Dhubri, Assam.

লতোভা দলে পাহাৰলৈ আনে

বোৰ কেনেকৈ কটোৱা যায়। লটোৱে বয়েৰ ওচৰৰ কৰ্নালা গোৰাটোকে সিদ্ধান্ত কৰিলে। মালতীয়ে বনভোজত খোৱাৰ দায়িত্ব ললে...চেন্দুইচ, আপেল, আৰু যথেষ্ট পৰিমানৰ মালতোভা ফ্লাস্কত সাজু।

ৃহৰাল...

সূৰ্য্যোদয়ৰ লগে লগেই যাত্ৰা কৰিলে আৰু পুৱাৰ জলপান ময়ত কমলা বাৰ্ড চেম্পুৰী পালে। ক এপিয়লাকৈ মালতোভা পি ক আকৌ যাত্ৰা আৰম্ভ কৰিলে। মিনিজনী আগুৱাই গৈছিল। াই হেৰাল, এতিয়া কি হব? ই বিমোৰত পৰিল। গল যেন বেলিটোও ডাৱৰে লালে যেতিয়া হঠাৎ... য়া যাদুকৰ হাতী। আউলী বাউলী মিনি হাতত। তাই বনৰীয়া ফুল গৈছিল আৰু মাজতে বাট হেৰাল। ুমি যদি কেতিয়াবা আকৌ কৰা তেন্তে তোমাক আমাৰ তিয়াও আহিবলৈ নিদো।" তে কলে।

জ এটা

ভাল শিক্ষা পালা" বেনু আৰু চালিমে একেলগে কলে "বাৰু বলা এতিয়া যাওঁ"।

এইটো এটা সুন্দৰ দিন আছিল

দলটোৱে তেওঁলোকৰ বনভোজ উপভোগ কৰিলে কিল্লাত। অলপ সময় চুৰি-ডকাইত খেলাৰ পাচত ঘৰলৈ উভতিবৰ সময় হল। কিন্তু প্ৰথম বস্তু প্ৰথমেই ঃ প্ৰত্যেকৰ বাবে এপিয়লাকৈ গৰম আৰাম দায়ক মালতোভা "মিনি তুমি ওচৰতে থাকা, আকৌ কৰবাত নেহেৰাবা" দেবুৱে কলে। তেওঁলোকে পাহাৰৰ নামনিলৈ নামিব ধৰিলে ওঠত গান জুৰি আৰু অন্তৰত আনন্দলৈ।

মালতোভাই সকলো সলনি কৰে

সচাকৈয়ে মালতোভা শিশুৱে জীৱনত সকলো পাই কাৰণ প্ৰত্যেক পিয়লা মালতোভাতে আছে সোনালী ঘেহু, বাৰ্লি, খাটি গাখীৰ, বলকাৰক কক্য আৰু শকৰাৰ উপকাৰী অংশ ই শক্তিদায়ক, প্ৰতিৰোধকাৰক আৰু বলকাৰক, আপোনাৰ শিশুক মালতোভা দিয়ক। দেখাপাব তেওঁলোক শক্তিবান আৰু স্বাস্থ্যবান হৈছে। আপোনাৰ শিশুক জীৱনৰ বাবে স্পৃহা বহাওঁক।

মালতোভা ক্লাবত যোগদান কৰক

এইটো তেনেই উজু। মাত্ৰ ৫০০ গ্ৰামৰ তিনিখন জাৰ লেবেল আৰু ভিতৰৰ চিল অংশ অথবা তিনিখন ৫০০ গ্ৰামৰ ঢাকনি পঠাওঁক।

মালতোভা ক্লাব
ফ্ৰথ ফ্লৰ, ভানদাৰী হাউচ
৯১, নেহেৰু প্লেচ
নতুন দিল্লি-১১০ ০১৯
আপুনি অংশ ললে।

JIL জগৎজিত ইণ্ডাষ্ট্ৰীজ লিমিটেড

ামিন যুক্ত মালতোভা: স্বাস্থ্য, বল আৰু শক্তিৰ বাবে

SIMOES/JIL/001/85 ASM

পাৰ্লে

পাৰ্লে গ্লুকোৰ সঙ্গ
জাগে শক্তিৰ তৰঙ্গ
বিশ্বৰ প্ৰতিটো ধূৰ্ত কনমানিৰ অঙ্গে অঙ্গে।



কনমানি ভাইটি ভনীহঁত-আৰু
ক'ত এই শক্তিৰ উৎস নিহিত ?
স্বাভাৱিকতে পাৰ্লে গ্লুকো বিস্কুটত। প্ৰত্যেক
বুদ্ধিমতী মাতৃয়ে জানে যে সেই ধূৰ্ত কনমানি সকলৰ
উত্তম আৰু বিকাশৰ বাবে আটাইতকৈ শ্ৰেষ্ঠ হ'ল-পাৰ্লে গ্লুকোৰ
মিঠা আৰু মচমচীয়া সোৱাদ। বহুযুগ ধৰি ভাইটি-ভনীহঁতৰ বাবে
পাৰ্লে-এ বনোৱাৰ দৰেই-সদায়ে তাজা, সদায়ে ভাল।

পাৰ্লে গ্লুকো

সোৱাদত অনুপম, শক্তিৰে ভৰপূৰ

ভাৰতৰ
সৰ্বাধিক বিক্ৰী হোৱা বিস্কুট

বিশ্ব বাছনি-পৰীক্ষা পুৰস্কাৰ বিজয়ী

everest/84/PP/40-as